গাওঁবুঢ়া।

(বৃটিচ শাসনৰ আদিছোৱাত অসম)

সাহিত্যিক পেঞ্চনাৰ,
ৰায়বাহাদুৰ পদ্মনাথ গোহাঞিবৰুৱা, এম, আৰ, এ, এচ,
ৰচিত।

তৃতীয় তাঙৰণ।

তেজপুৰ
লীলা-এজেঞ্চিৰপৰা প্ৰকাশিত।

তেজপুৰ, অসম।
১৮৬০ শক।

বেচ্ ৸৹ তিনি সিকি।

উছৰ্গা।

জয়েজয়ে যাৰপৰা
মোৰ কুমলীয়া অন্তৰত
অসমীয়া সাহিত্যৰ প্ৰতি অনুৰাগ ওপজে,
আৰু
যাৰ মুখে পোন্-প্ৰথমে
এই

"গাওঁবুঢ়া"

অসমত বৃটিচ্ শাসনৰ আদিছোৱাৰ
"নিভাঁজ চিত্ৰ"
বুলি
শলাগৰ উৎলাহ পাওঁ,
সেই

শ্ৰদ্ধাস্পদ সৰল দেশহিতৈষী
অনৰেবোল ৰায় ফণিধৰ চলিহা বাহাদুৰৰ
কৰ-পদ্মত
এই পুথি
শ্ৰদ্ধাঞ্জলিস্বৰূপে
অৰ্পণ কৰা হল।

গ্ৰন্থকাৰ।

মূল পাতনি।

আধুনিক অসমীয়া সমাজৰ আদিছোৱাত, চৰ্কাৰী কৰ্ম্মচাৰী গাওঁবুঢ়াৰ "অনাহাৰী" বিষয়-ৰবীয়া খাটনি বিষয়ক ৰহস্যই এই লেখকৰ অন্তৰত, লৰাকালত, সদায় কৌতুহল জন্মাইছিল। সেই ৰহস্যৰ আৰ্হি ৰাইজৰ আগত দাঙ্গি ধৰাই এই সামাজিক নাটক লিখিবলৈ লোৱাৰ আগ-উদ্দেশ্য। আজিকালি অসমত পছিমীয়া ধাৰণৰ অভিনয়ৰ প্ৰতি যেনেকৈ অনুৰাগ বাঢ়িছে, তেনেকৈ তাৰ জোখায় অসমীয়াত নাটক নাই,—বিশেষকৈ সামাজিক নাটক; সেই অভাৱ কিঞ্চিৎমান গুচাবলৈ আগবঢ়াটো এই পুথি লিখাৰ দ্বিতীয় লক্ষ্য। এই গল লেখকৰ সংকল্প আৰু উদ্দেশ্য; কিন্তু তাক কিমানলৈ কাৰ্য্যত ফলিৱাব পৰা গৈছে, সেইটো ৰাইজৰ বিচাৰলৈ ৰল। সমাজৰ স্বৰূপ চিত্ৰ আঁকা উজু কাম নহয়, তাতে এইফালে লেখকৰ এয়ে প্ৰথম উদ্যম; গতিকে, ইয়াত যে ভালেমান আসোঁৱাহ ওলাব, তাক কোৱাৰ সকাম নাই। ইতি

তেজপুৰ, অসম।
৬ আষোণ, ১৮১৯ শক।

শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা।

দ্বিতীয় তাঙৰণৰ পাতনি।

এইবাৰ আগৰ ভালেমান আসোঁৱাহ গুচোৱাৰ উপৰি, ষ্টেজৰ নিমিত্তে উপযোগী কৰিবৰ উদ্দেশে নাটকৰ ঠায়ে-ঠায়ে গোটাদিয়েক পট অগা-পিচা কৰি দি, শেহত তুখন পট নতুনকৈ লগাই দিয়া গৈছে। ইতি

তেজপুৰ, অসম।
১ ভাদ, ১৮৩৯ শক।

গ্ৰন্থকাৰ।

তৃতীয় তাঙৰণৰ পাতনি।

অং ১৮৩৯ শকত দ্বিতীয় তাঙৰণ ওলোৱাৰ দুবছৰমানৰ পাচৰপৰা "গাওঁবুঢ়া" যোৱা কুৰি বছৰ ছপাৰ-বাজ হৈ আছিল। গ্ৰাহকসকলে ওপৰা-উপৰিকৈ 'অৰ্ডাৰ' দিও কিতাপ নাপাই নিটাল মাৰিলে; কিয়নো, আমাৰ স্কুলীয়া পাঠ্য কিতাপবিলাকৰ নতুন নতুন তাঙৰণ উলিৱাৰ বাবে আমি নোপোৱা হেতুকে, বাজে কিতাপৰ নতুন তাঙৰণ উলিয়াবলৈ আমি ছেগ ধৰিব পৰা নাছিলোঁ। এতিয়া, কলিকতা ইউনিভাৰ্চিটীৰ অনুগ্ৰহৰ চিন্ স্বৰূপে 'গাওঁবুঢ়া' এম, এ, মহলাৰ্থীৰ কাৰণে পাঠ্য নিৰ্দ্ধাৰিত হোৱাত, পৰম উলাহেৰে তাৰ তৃতীয় তাঙৰণ খৰধৰকৈ উলিৱা হৈছে। এই আলমতে, সৰ্ব্বসাধাৰণ ৰাইজৰ কুৰি বছৰীয়া আহ্বান ৰক্ষা কৰিবলৈ এটি আপুৰুগীয়া ছেগ পোৱাটো আমাৰ সৌভাগ্য বুলি মানিছোঁ। এই তাঙৰণত আগৰ আসোঁৱাহ পাৰ্য্যমানে গুচাবলৈ চোৱা গৈছে; কিন্তু লৰালৰিকৈ উলিয়াব লগীয়া হোৱাত, সংকল্পিত উন্নতি মনৰ জোখায় সাধিব পৰা নহল, পাচৰ তাঙৰণলৈ হে সাঁচি থোৱা হল। ইতি

তেজপুৰ, অসম।
১ ভাদ, শ্ৰীকৃষ্ণাষ্টমী, ১৮৫০ শক।

গ্ৰন্থকাৰ।

কলিকতা,
৮৫নং অপাৰ চাৰকুলাৰ ৰোড, "ভাৰতমিহিৰ যন্ত্ৰত"
শ্ৰীযুগলচৰণ দাসৰ দ্বাৰাই মুদ্ৰিত।

ভাওবিলাক।

মুনিহ।

ৰত্নেশ্বৰ হাজৰিকা	লক্ষীমপুৰৰ মৌজাদাৰ।
বাপুৰাম শইকীয়া	" মণ্ডল।
কচুখোৱা ছুটীয়া	" গাওঁবুঢ়া।
[illegible]পাই কোচ	" গাওঁবুঢ়া।
টেপেৰা কলিতা	" গাওঁবুঢ়া।
ভোগমন চেটীয়া	" ন-গাওঁবুঢ়া।
মাণিকচন্দ্ৰ বৰুৱা	থানাৰ দাৰোগা।
মঙ্গলা	মৌজাদাৰৰ লগুৱা।
মিঃ ইয়ং	মহকুমাৰ গৰাকী চাহাব।
বিলত আৰু পেজান	ছুটা গাঁৱৰ মৰিয়া।
মিঃ স্কট্	জিলাৰ গৰাকী, বৰচাহাব।

আৰ্দ্দলি, চৰ্দ্দাৰ, টেকেলা, খান্‌চামা, কুলী, চিপাহী, ৰায়ত, গুচৰীয়া, পদকীয়া, মেলুৱই, পেস্কাৰ, মুক্তিয়াৰ, নাজিৰ ইত্যাদি।

তিৰোতা।

অমিলা	ৰত্নেশ্বৰৰ ভাৰ্য্যা।
বংদৈ	ভোগমনৰ ঘৈণীয়েক।
জেতুকী	" জীয়েক।
ভেলেউ	গাঁৱৰ মৰিয়ানী।

লিগিৰী, নাচনী, গঞ্জানী, ইত্যাদি।

গাওঁবুঢ়া।

১। অঙ্ক।

প্ৰথম পট,—গাঁৱলীয়া ৰাজবাট।

(বাপুৰাম, কচুখোৱা আৰু এটা চিপাহীয়ে কুলী ধৰে)

১ম, কুলী।—(বাপুলৈ চাই) দেউতা-ঈশ্বৰ! অলপ কিৰ্পা নকৰিলে আৰু বন্দী নিগমে মৰিলোঁ! মোৰ নো কোন্ আছে, অকলশৰীয়া মানুহ, দেউতাই দেখিছেই। কালিয়ে সিজনীয়ে ডাঙৰী গোটাচেৰেক দাই থৈ আহিছিল, আজি নচপালে, পথাৰৰ মুঠি পথাৰতে ৰব! আৰু, কানীয়া মানুহ, গাত নো কি বল-শক্তি আছে, দেখিছেই।

বাপু।—(খঙেৰে) কটা, তই মৰ্ বা তৰ্, মই কি কৰিম? চৰ্কাৰী কাম; কুলী নিদিলে মোক হবলা হাকিমে শুদাই এৰিব? গুচ্, টপ্টপাই নাথাকিবি মোৰ ওচৰত।

১ম, কুলী।—(কচুখোৱালৈ চাই) গাওঁবুঢ়া ককাই! তুমিও নো মুখলৈ নোচোৱা নে?

কচু।—এৰা, নেচাম নো কেলৈ? তই মোলৈ কোঁচ্ভৰাই নি চাৰ নহয়? আমাক তামোল এটা, পাণ এবিৰা পাৰি দিয়াও তইঁতৰ মানত লাজৰ কথা! এতিয়া মুখলৈ নেচাম নো কিয়?

২য়, কুলী।—(বাপুৰ পিচফালে থিয় দি) ডাঙৰীয়াই অলপকৈ হাত-খনি মুকলি কৰিলেহেঁতেন (বাপুৰে পিচফালে হাত পাতে, কুলীটোৱে টিপতে সিকি এটা গুজি দিয়ে)।

বাপু।—(উলটি চাই) অ, হেৰ ভটাগুটী !

২য়, কুলী।—দেউতা, কিবা কব খুজিছে ?

বাপু।—হেৰ, তোৰ বৌৱেৰৰ ভিনীহিয়েকৰ পিতেকৰ তিলনী গল জানো ? লৰাটো ঢুকাবৰ আজি কেই দিন ?

২য়, কুলী।—তিলনি নাই যোৱা দেউতা ! ঢুকাবৰ আজি দুদিন হে হৈছে।

বাপু।—এৰা, তহঁতৰ অশৌচ যোৱাই নাই তেন্তে। বাৰু, আন এটাহে বিচাৰিব লগীয়া হল ; তই যাগৈ তেনেহলে।

২য়, কুলী।—ভাল ডাঙৰীয়া-দেউতা ! (আনন্দেৰে প্ৰস্থান)

৩য়, কুলী।—(কচুখোৱাৰ কাণে-কাণে) শুনাচোঁ গাওঁবুঢ়া ককাই ! সিদিনা মালভোগ কল এথোকা পকিছিল। মনতেহে, বোলোঁ, কলও পকক, নতুনকৈ বেঙেনা এগাল কলিয়াইছে সিও ডাঙৰ হক, একেলগে নি তোমাৰ ঘৰত দি আহিমগৈ। তাকে সিদিনা সৌ তেওঁ মণ্ডলে বুজ পাই আহিবৰেপৰা গোটেই আমাৰ ফালে টিঙ্গিৰিতুলা হৈ আছে ! নেদেখিছাঁ, আজি পোন্‌ছাটেই তেওঁ মোক হে লাগিছেহি।

কচু।—(ইফালে-সিফালে চাই, ফুচুফুচীয়াকৈ) সঁচা নে ? বাৰু, তেন্তে মই তোৰ ফালে পিঠি দিওঁ, তই লবেই মাৰ। কিন্তু, বেঙেনা পাচেও দিবিগৈ, কলথোকা এতিয়াই নি আমাৰ সিজনীৰ হাতত দিবিগৈ। যা, যা।

৩য়, কুলী।—ভাল, কোনো কথা নাই, গৈয়েই দিমগৈ (লৰ মাৰে)।

বাপু।—দেখ, দেখ, কনিষ্ট ! ঐ কুলী ভাগ্‌কে লৰ্‌ মাৰ্‌তাহেঁই। তুমি খেদি যাইকে তাক পাকুৰি আনও। (চিপাহীটোৱে যাবলৈ ধৰে)

কচু।—নাহি, নাহি, কনিষ্ট বাবু, তুমি ৰহ ; হামি এক লৰমে যাইকে তাক পাকুৰি লৈ আনেগা। (কুলীৰ পিচে পিচে লৰ ধৰে)।

চিপাহী।—(মণ্ডললৈ চাই) এ কেইচা বাত্‌হেঁই ? হাম্‌লোক্‌কো চাৰ আড্‌মিকো দৰ্কাৰ থা, চব পূৰা হো গিয়াৰাহা ; লেকিন তোম্ আপ্‌না মত্‌লবচে একঠো চোৰ্ দিয়া ; আওৰ একঠো আভি ভাগ্‌যাতাহেঁই। হাম্‌লোক্ আওৰ ডেৰি কৰ্ণে নাহি চেক্তাহে। তব্ আভি ক্যা কৰেগা ? হাম্‌কো মালূম হোৱা, এ চৰ তোমলোক্‌কা কায়দা হেঁই। (খঙেৰে) আওৰ ডেৰি নাহি কৰেগা। তোমলোক দুনো আপ্‌নে কুলী যানে পৰেগা।

বাপু।—(ভয়েৰে) নাহি নাহি, চিপাহী জি ! আপ্ খং নাই কৰেগা। হামি এতিয়াই দোচোৰা কুলী ধৰি দেঙ্গা।

(ফোঁপাই ফোঁপাই কচুখোৱাৰ পুনঃ প্ৰৱেশ)

কচু।—(বাপুলৈ চাই) নেপাৰ্লোগৈ ; নোৱাৰিলোঁ ধৰিব ! সি গোটেই ফিৰিঙ্গতি ওফৰাদি উফৰিল !

চিপাহী।—(খঙেৰে) চুৱাৰ, পাজী, তব তোম্ কাহে হাম্‌কো যানে মানা কিয়া ? আভি তোম্ আপ্‌নে কুলী যানে পৰেগা। (কচুখোৱাৰ গল্‌ধনত হেচি ধৰি) চলও আভি।

(এটা মানুহে সৈতে ভোগমন আহি আছে)

কচু।—(কাওবাওকৈ) কনিষ্ট বাবু ! আপুনি খং নাই কৰেগা। আপুনি অলপ চবুল কৰেগা ; ঐ দুটা আড্‌মি আহ্‌তাহে। ঐ দুটাকে ধৰি দেঙ্গা। এতিয়া হামিলোক চুপ্ কৰি ৰহেগা।

মানুহটো।—(নিলগৰপৰা বেঙা মেলি চাই) বোপাই ভোগমন, মোক ভাল বাঘৰ মুখত পেলালিহি ! সৌ জাক নেদেখিছ ? লগতে ৰঙাপাগুৰি মৰা এটাও ! তোক যেনিবা ভালমানুহৰ লৰা বুলিয়েই এৰিব বোপাই ; মই ইমানতে পলোৱাহে ভাল। (উলটি লৰ ধৰে)

ভোগমন।—(কচুখোৱাৰ কাষ চাপি গহীনাই) কি, গাওঁবুঢ়া ককাই, কুলী ধৰা হৈছে নে ? কলৈ নো যাব লাগে ?

কচু।—এৰা, যেনিবা কুলীকে ধৰা হৈছে। তুমিও লগত লগ নধৰা নে ?

ভোগ।—এৰা, লগ ধৰাব পৰা হলে যেনিবা ইমান দিনে মুকলিমুৰীয়াকৈ নেৰিলাহেঁতেন। এতিয়াও আমাক সেই ফেৰা উপকাৰ নকৰিলেই ভাল। (গহীনভাৱে পাৰ হৈ যাব খোজে)

কচু।—নহয়, নহয় শুনিছানে, এনে ছেগত আৰু তোমাক অকলশৰীয়াকৈ এৰি দিব নোৱাৰি। আহাঁ, আহাঁ, লগ ধৰাঁহি। (হাতত ধৰি টানে)

ভোগ।—(কচুৰ হাতখন আছাৰমাৰি পঠিয়াই) এৰি দিয়াঁহে ; বুঢ়া মানুহ হৈ কি ভেঙ্গুচালিখন কৰাঁ! (জোঁটাপুটি লাগে)

কচু।—কনিষ্ট বাবু, কনিষ্ট বাবু, ধৰও ইয়াকু ধৰও, পাকুৰি লও। (চিপাহীয়ে ভোগমনৰ গলধনত ধৰি টানি আনে)।

ভোগ।—(কচুখোৱাৰ প্ৰতি) হেৰ, চপনীয়া গোলামৰ পিতেক, তই দেখোন বৰ কেৰেমতালি কৰ! মই বায়নৰ ঘৰৰ লৰা বুলি দেশখনে জানে। তোৰ দৰে মই ধেনু-চোঁচা কাঁড়ীৰ লৰা নে? মোক কেতিয়াবা কুলী খটা দেখিছিলি নে? বাৰু বল, ডেৰেকা বাবুত কৈ, মই তোৰ আগতে এৰাই আহিব পাৰোঁ নে নোৱাৰোঁ চা। তই দেখোন—(চিপাহীয়ে টেঁটুত চেপা দি ধৰে)।

বাপু।—চিপাহী, আভি চলও। বহুত ডেৰি হৈ গিয়া। বাট মে আৰু একঠো পাকুৰি লৈ যায়গা।

চিপাহী।—আচ্ছা, চলও আভি। (সকলোৰে প্ৰস্থান)

দ্বিতীয় পট,—থানা।

(এটা চিপাহীৰে সৈতে মাণিকচন্দ্ৰ দাৰগা বহি আছে)

মাণিক।—তহঁতে দেখ্‌চোন বাৰু! সেই বদ্‌মাচ দেচোৱালী চিপাহীটো পুৱাতে গল, কতিয়াও উলটি নাহিল; ইফালে মোৰো গা ধুবৰ সময় হলহি।

চিপাহী।—হয়, দেউতা, সি বৰ ফিকিৰদাৰ মানুহ। সি বা কি ফন্দী পাতি ফুৰিছেগৈ, কোনে জানে? আমাৰ অসমীয়া এটা যোৱা হলে, ইমান বেলি কেতিয়াও নহলহেঁতেন। (বাটলৈ বেঙামেলি চাই) অ, দেউতাই বৰকৈ ভাবিব নালাগে আৰু, সৌৱা, ওলাইছেহি।

(৪ টা কুলীৰে সৈতে মণ্ডল, গাওঁবুঢ়া, চিপাহীৰ প্ৰৱেশ)

মাণিক।—(খঙেৰে) হেঁইৱাও বদ্‌মাচ্‌, কাহে এটনা ডেৰি হোৱা? তোমাৰা মতলব হাম্‌ জান্তাহেঁই।

চিপাহী।—নাহি হজুৰ, হামাৰা কুছ্‌ কচুৰ নাহিহেঁই; চব্‌ এ দুনো বদ্‌মাচ্‌চে হোতাহেঁই। (বাপুলৈ আঙুলিয়াই) পহিলা হাম্‌লোক্‌কা চাৰঠো আড্‌মি পুৰা হো গিয়াৰাহা; লেকিন, এহি মণ্ডল আপ্‌না খুচিছে একঠো ছোৰ্‌ দিয়াহেঁই। আওৰ একঠো (কচুখোৱালৈ আঙুলিৱাই) ওহি গাওঁবুঢ়া মতলবচে ভাগ্‌নে দিয়া হ্যাঁই। ইচোৱাষ্টে এটনা ডেৰি হো গিয়া।

মাণিক।—(বাপু আৰু কচুখোৱালৈ চাই) মই তহঁতৰ ফিকিৰ আগৰে পৰা জানোঁ। তহঁতকো জোখাকৈ এশিকা নিদিলে নহয়। হেৰ, চন্তৰি, ইহঁত দুইকো আটক কৰি ৰাখ, বেলি ভাটী দিলেহে এৰি দিবি।

কচু।—(কাওবাওকৈ) ডাঙৰীয়া, মোৰ ফালে কাণ কৰকচোন। সঁচাকৈ

—মাণিক।—চুপ্‌, তোৰ মুখ বন্ধ কৰ। মোৰ এতিয়া গোচৰ শুনিবৰ সময় নহয়।

(দুইকো দুটা চিপাহীয়ে ধৰি লৈ যায়)

ভোগ।—(মাণিকক) ডাঙৰীয়া, চাওকচোন, ইহঁত দুয়ো আখেজৰ ওপৰত মোক নো কুলী ধৰি আনিব পায় নে? মই কেনে ঘৰৰ লৰা ডাঙৰীয়াই জানেই ; মই নো কেতিয়াবা কুলী খাটিছিলোঁ নে? ইহঁতে নো মোক এনে অপমান দিব পায় নে?

মাণিক।—(মুখ বিদৰায়) থৈ দিয়াঁ তোমাৰ মান-অপমানখন! কুলী হবৰ বেলিকা আটাইবিলাক ভালমানুহ ওলায়। পিচে, তোক এৰি মোক কুলী যাবলৈ দিছ নে?

ভোগ।—কপাল! আপুনিও এনে অবুজন হল! কিন্তু, নেদেখাজনে—

মাণিক।—চুপ্, তোৰ মুখ বন্ধ কৰ। নহলে, কলমাৰিৰ খুন্দাত দাঁত এটাও নাথাকে।

১ম, কুলী।—দেউতা-ঈশ্বৰ! বন্দীক আৰু মৰিয়াই মাৰিলেই ভাল আছে। কানীয়া মানুহ, নিগমে মৰিলোঁ দেউতা-ঈশ্বৰ! কানি খাবৰো পৰ হল, বন্দীক কিৰ্পা কৰোক দেউতা! (দীঘলকৈ হামি মাৰে)

মাণিক।—বাৰু, ৰবাঁ, অ, ককাই! সৰহ পৰ নাই; ভালকৈয়ে কানি খাবাঁ! চাহাবে থৈছে তোমালৈ কানি!

৪র্থ, কুলী।—(মাণিকৰ ওচৰ চাপি ফুচফুচাই) ডাঙৰীয়াই সিদিনা বিচাৰি পঠিওৱা বস্তু বন্দীয়ে ঠিক কৰি থৈছোঁ। আজি আনিম বুলি ওলাওঁতেই এইখন আপদে পালে!

মাণিক।—(অলপ গমি) হেৰ বিহগুটী, তই মোৰ তালৈ যাচোন; তাতে, চিপাহীয়ে দেখুৱাই দিব, অলপ চৰ্কাৰী কাম আছে কৰগৈ যা। তোক, মই যাওঁতে, লগতেই চাহাবৰ বঙলালৈ লৈ যাম, যা। (আনে সুশুনাকৈ) তই তাৰেপৰা গুচি যাগৈ, আৰু সেই বস্তুটো লৈ আহগৈ, যা।

৪র্থ, কুলী।—ভাল, ডাঙৰীয়া!

(প্ৰস্থান)

(আৰ্দ্দলিৰ প্ৰৱেশ)

মাণিক।—অ, কি হে, আৰ্দ্দলি ককাই ?

আৰ্দ্দলি।—বাবু! চাহাবে পঠিয়াইছে। বোলে, কুলী আহি পালে যদি, সোনকালে পঠিয়াই দিয়ক।

মাণিক।—এৰা, এয়া, কুলী ঠিক হৈছে। পূৱাৰেপৰা কত যতনেৰে হে গোট খুৱাইছোঁ! চাহাবে লগত মাল কিমান লৈছে? এই কেইটা কুলীয়েই নহব নে?

আৰ্দ্দলি।—মাল সৰহ নহয়। কুলী তিনটামানেই বলে পাৰিব।

মাণিক।—ভালেই হল। মই আকৌ ইমানে নহব বুলি, আৰু গোটাচাৰেক আনিবলৈ পঠিয়াইছিলোঁ। সেই হে পলম হৈছিল। আৰ্দ্দলি, তুমি এই কেইটাকে লৈ আগ বাঢ়াঁ; ময়ো পাচতে গৈছোঁ।

ভোগ।—ডাঙৰীয়া! সেই, ঘৰলৈ যোৱাটোৰ সলনি মোকে ৰাখিলেও, মই এনে অপমানৰপৰা ৰইথা পাওঁ! ডাঙৰীয়া, অলপ কিৰ্‌পা—

মাণিক।—তই চুপ্ থাক্। আৰ্দ্দলি, ইয়াক মুৰ্গীৰ ভাৰখন দি নিবাগৈ, তেহে ইয়াৰ মান-মৰ্য্যাত সোপাই ৰক্ষা পৰিব! মই যাওঁ, ওলাওঁগৈ; তোমালোকো যোৱাহঁক।

(সকলোৰে প্ৰস্থান)

প্ৰথম অঙ্কপাত।

২। অঙ্ক।

প্ৰথম পট,—ভোগমনৰ মাৰল-ঘৰ।

(ৰংদৈৱে গুণ্‌গুণ্‌কৈ আই-নাম গাই সূতা কাটি বহি আছে; ভোগমনে প্ৰৱেশ কৰি ওচৰতে মূৰে-কপালে হাত দি বহেহি)।

ৰংদৈ।—(ঘূৰি চাই ভোগমনক দেখা পাই আচৰিত ভাৱে) এ, আই! ইটোৰ বা হল কি? আঁঠুৰ ওপৰত চাং পাতি দেখোন মূৰ ঘুমাই বহি আছেহি কেতিয়াবাৰেপৰা!

ভোগ।—(দীঘলকৈ হুমুনিয়া কাঢ়ি) শুনিছ নে, মোৰ জীৱনত আৰু সকাম নাই! মোৰ আৰু সংসাৰত বাপ্‌ নাইকিয়া হল! মোৰ দেহ-চিত্‌ এনেহে লাগিছে, যেন আজিয়েই দেশ এৰি বিদেশলৈ গুচি যামগৈ! পিচে, কি কৰিম, ঈশ্বৰে মোক নিকুটুমীয়া কৰিলে; তোলৈ আৰু ছোৱালীটিলৈ চাই হে আজিও মই বান্ধ্‌ খাই আছোঁ। তইঁতক কাৰোবাৰ হাতত গতাব পৰা হলে, মই মুকলিমূৰীয়া চৰাইৰ দৰে কৰবালৈ উৰি গুচি গলোঁগৈহেঁতেন!

ৰংদৈ।—(চিয়ঁৰ মাৰি উঠি) দেহি ঐ, মোৰ শৰীল ঐ, কাক নো এনে কথা শুনাৱ ঐ! (চকুত হাত দি কান্দে)।

(জেতুকী লৰি আহি প্ৰৱেশ)

জেতুকী।—(কান্দো কান্দো হৈ) আই, তোৰ কি হল? তই কিয় কান্দিছ, হুঁ? বুপাই, তই আইক মাৰিলি নে কি? ওঁ-ওঁ কেলৈ মাৰিলি? (কান্দে)

ভোগ।—(জেতুকীক কোলাত তুলি লৈ) আই, মই মাৰক নাই মৰা, আন কিবা বেজাৰত হে কান্দিছে। (ৰংদৈৰ হাতত ধৰি) আইটীৰ মাক,

নেকান্দিবি; কান্দি নো কি কৰিবি? মই মনৰ বেজাৰত হে তেনেকৈ কৈছিলোঁ; তহঁতক এৰি নো মই কলৈ যাব পাৰোঁ? (টলকা মাৰি বৈ) আৰু, শুনিছ নে, সেই দিনা দুপৰীয়া লঘোনত খেকাৰখোৱা চিপাহীটোৱে বলেৰে যেতিয়া মোৰ কানত কুকুৰাৰ ভাৰখন তুলি দিছিল, সেই খেনৰ কথা মনত পৰিলে, এতিয়াও মোৰ বুকুখন দুফাল হয় যেন লাগে! লাজ-অপমানৰ কথা এৰিছোঁ; মই নো কিমান ভাৰ বব পাৰোঁ দেখিছই নহয়। সেই কুকুৰাৰ মেট্‌মৰা ভাৰখনে সেই দিনা মোৰ কলিজা ভাঙ্গিবৰ নিচিনা কৰিলে!

ৰংদৈ।—(বলেৰে ধৈৰ্য্য ধৰি) দেহি ঐ, কিনো কৰিম! কপালৰ লেখা কেনেকৈ গুচাম! তেও বুলি ইয়াৰ নো এটা উপায় কৰিব নোৱাৰি নে?

ভোগ।—জানো, কি উপায় কৰ। কিবা জান যদি কৰি থাক; মই হলে নিৰুপায়!

ৰংদৈ।—বিবুধি হব নেলাগে। বাৰু, মই ইয়াৰ বুধি উলিয়াম।

ভোগ।—(ৰংমুৱা হৈ) পাৰিলেও পাৰিব পাৰ। লোকে কোৱা শুনিছোঁ, বোলে, মাইকী মন্ত্ৰী।

ৰংদৈ।—মোৰ মনেৰে যি গাঁওবুঢ়াই আমাৰ এনে বিলাই কৰিছে, তাৰ বিষইখনকে লবলৈ কাৰবাৰ কৰা হওকচোন।

ভোগ।—সেইটো হলে তো এনে আপদৰপৰা ৰইখাকে পাওঁ। তাকে লব পাৰিলে হে আকৌ; আমি নিচগালৈ নো কোনে চাব খুজিছে!

ৰংদৈ।—এনেকৈ চালে, ই বৰ টান কথা নহয়। ইয়াৰ এটা ভাল বুধি আছে। কেৰ্‌পাই আৰু নদী গাওঁবুঢ়াই ধৰা বাট হে ধৰিব লাগে।

ভোগ।—সিহঁতে নো আকৌ কি বাট ধৰিছিল?

ৰংদৈ।—তহঁত নো কেলৈ পোন্ধ্‌মৰাটো হলি কব নোৱাৰোঁ! বাহিৰৰ খা-খবৰ অলপো নেৰাখ। কেৰ্‌পায়ে এৰি কাপোৰ এখন, আৰু নদীয়ে মুগাৰ বিহা-মেখেলা এযোৰ দি, মৌজাৰীক পোন্ কৰি হে তেও বিষইকেখন পাইছে। আমিওচোন তাকে কৰোঁ। তহঁতে জানো কেনে দেখ?

ভোগ।—কেনে দেখিম; পাৰিলে বৰ ভাল কথা। পিচে, সিহঁতৰ দৰে আমাৰ নো কেইখন এৰি কাপোৰ আৰু কেইযোৰ মুগাৰ ৰিহা-মেখেলা আছে? নিজলৈকেচোন নাটনি!

ৰংদৈ।—যি আছে তাৰেই এটা দিহা নকৰিলে হব নে? সামৰণত থকা এৰি কাপোৰখন, আৰু সিদিনা শালৰপৰা কটা তিতাকৰীয়া মেখেলাখনকে লৈ গৈ ধৰোঁগৈচোন। তহঁতে কাপোৰখন লৈ মৌজাৰীৰ ওচৰলৈ যাবি। মই মেখেলাখন লৈ ভিতৰত হাকিমনীৰ ওচৰলৈ যাম। মৌজাৰীতকৈও হাকিমনীক পোনাৰ পাৰিলে যে কথাই নাই।

ভোগ।—(দীঘলকৈ হুমুনিয়া কাঢ়ি) হে হৰি! বাৰু, যেনে ভাল দেখিছ, তাকে কৰ। ভাত ৰান্ধগৈ যা এতিয়া; মই পথাৰৰপৰা আহোঁগৈ। চাওঁ, আই, নামচোন, মাৰৰ লগত ভাত ৰান্ধগৈ যা। মই যাওঁ। (জেতুকীক কোলাৰপৰা নমাই থৈ, চুমা দিয়ে)।

(সকলোৰে প্ৰস্থান)

দ্বিতীয় পট,—মৌজাদাৰৰ চৰা।

(মৌজাদাৰে ৰায়তৰ খাজনা লৈছে)

বত্ন।—(পটা এখন চাই) হেৰ, এই কিস্তিত তই ৭৸৶০ দিব লগীয়া হৈছে; দে।

১ম, ৰায়ত।—দেউতা, শেহ কিস্তিত বা কিমান দিব লগা পৰিছে?

বত্ন।—(আকৌ পটাখন চাই) শেহ কিস্তিত তোৰ ৪৸৶০ দিব লগা পৰিব। তাৰ ওপৰঞ্চি টকাইপতি /০ চৰতীয়াকৈ স্থানীয় কৰ লাগিব।

১ম, বা।—দেউতা, এনেকৈ হলে আৰু দুখীয়া ৰায়ত কেনেকৈ তৰিম! মাটি সেই আগৰ কেডৰাই আছে; আৰু এইবেলি সেই এৰাবাৰীখনো ইস্তফা দিলোঁ; ইফালে খেজেনা টুটক ছাৰি বাঢ়িব হে লাগিছে!

বত্ন।—হেৰ, বলিয়া, ইস্তফা পলমে দিয়াত, এই বছৰলৈ তোৰ এৰাবাৰী এৰা নপৰিল। আৰু, এইবাৰ খাজনা বাঢ়িছে বুলি তোৰ খবৰ নাই হবলা?

১ম, বা।—বাঢ়ক বা টুটক; নহলে কৰপৰা দিম? এইদৰে ৰজাৰ খেজেনা বাঢ়িব লাগিলে ৰাইজ তৰিব কেনেকৈ? এই পাঁচ টকাকে ঘৰৰ মানুহজনীৰ কাণৰ কঁৰীয়াযোৰ সোঁতা থৈ হে আনিছোঁ।

বত্ন।—বলিয়াৰ দৰে বকিছ কিয়? নাই বুলিলেই চৰ্কাৰেও শুনিব, আমাৰো গা বৰ নহয়। চাপৰিলে মেৰ নেৰায়। চাওঁ, চাওঁ, আন সেই পাঁচ টকাকে দে; বাকী এই কিস্তিৰ ২৸৶০ পৰহিমানলৈ দি যাবিহি (হাত মেলি ধন লয়)। বাৰু, মই বছিত লিখি ৰাখোঁ, তই যাচোন, সৌৱা তদিৰামহঁতে ভঁৰালৰ ছালখন বৈছে, তয়ো অলপ লাগি-মেলি দেগৈ।

১ম, বা।—ভাল দেউতা, পলম হে হল এতিয়া!

২য়, বা।—দেউতা, আমাৰ কেৰাও ধৰকচোন (খাজনা আগ বঢ়ায়)।

ৰত্ন।—কটা, তোৰ চকু নাই হবলা? মোৰ হাত কেইখন অ? আগেয়ে অহাবোৰক আগধৰি বিদায় দিব লাগে। বাৰু, তহঁত কেইটাৰো টকা পটাৰ ওপৰে ওপৰে থৈ যাহঁক, হাতে-পাতে লাগি ঘৰটোৰ ছাল দুখন উলিয়াই পেলাগৈ। মই তহঁতৰ ৰছিত লিখি থওঁ।

২য়, ৩য়, ৪র্থ, ৰা।—(টকা থৈ) এয়া দেউতা, আমাৰ হলে বাকী-বুকা নাই; একেবাৰে উচল কৰি লেখি ৰাখিব।

(আটাইকেইওটাৰে প্ৰস্থান; ভোগমনৰ প্ৰৱেশ।)

ভোগমন।—(লাহে লাহে ওচৰ চাপি) দেউতাৰ ওচৰলৈকে ময়ো আহিছিলোঁ।

ৰত্ন।—অ, ভোগমন? তোৰো খাজনা আনিছ নে? লৈ আহ, বাৰু।

ভোগ।—খেজেনা পৰহিমানলৈ হে দিম হি; দেউতা, আজি আন কিবা সকামত হে আহিছিলোঁ।

ৰত্ন।—(ৰহস্য কৰি) কিনো সকাম পাতিছ অ? বিয়া নে সবাহ?

ভোগ।—নহয় দেউতা, আন কিবা কথা এটা হে খাটিবলৈ আহিছিলোঁ। দেউতাই এই মাউৰা বন্দীলৈ অলপ কিৰ্পা কৰোঁ বুলিলে কব পাৰোঁ।

ৰত্ন।—(ৰং কৰি) বাৰু, কচোন, কিনো খাত লাগে নে পাম লাগে, শুনোঁ। খাত হলে, ৰজাই হে দিব পাৰে; মই বাৰু পাম এখনকে দিব পাৰোঁ নে চাওঁ।

ভোগ।—মই নো কেনে ঘৰৰ লৰা দেউতাই জানেই। বুপাই থাকোতে আমাৰ ঘৰৰ অৱস্থা কেনে আছিল, তাকো আটায়ে জানে। পিচে, কি হব, তেওঁৰ কপালেৰে তেওঁ নাম জলাই আছিল; এতিয়া মৰি দেৱতা হলগৈ। ইফালে মই মাউৰা দুৰ্কপলীয়াৰ হে দুৰ্গতিৰ সীমা নোহোৱা হল। এতিয়া আগৰ দৰে মান পোৱাৰ কথা এৰিছোঁৱেই, বাটৰ খঁৰা-কুকুৰতকৈয়ো আমাক মানুহে অধচ্ দেখা হল! দেউতাই এতিয়া উভলি পৰা কলাপুলি আকৌ কুই ঠন্ ধৰাব লাগে।—বোলোঁ, দেউতাই দয়া কৰিলে, দেউতাৰ তলতে গাওঁবুঢ়া এটা হৈয়ে অলপ জিলিকিব পাৰোঁ।

ৰত্ন।—(হাঁহি ২) হেৰ, তয়ো নো গাওঁবুঢ়া হব খোজ নে? গাৰ দেখোন ছাল-বাকলিয়েই নাই, কেনেকৈ নো তেনে বৰমুৰীয়াটো হব খুজিছ? হলেও নো বাৰু, তোক কোনে মানিব?

ভোগ।—দেউতাৰ আজ্ঞা পালে কোনে নো নেমানি পাৰিব? বন্দীক কৃপা কৰি বাবটি দিয়াৰ পাচতে দেখিব; মোৰ মনেৰে, কামত এই নিচলাই শকত-আৱত কেইটাকো চেৰ হে পেলাব। (লাহেকৈ কাপোৰখন উলিয়াই আগতে থৈ, মাটিত মূৰ লগাই সেৱা কৰে)।

ৰত্ন।—(ৰং মনেৰে) বাৰু, মই ভাবি চাওঁ। তই বাৰু অহা-যোৱা কৰি কাম শিকি থাক। হওঁতে, তহঁতৰ গাঁৱতে মোক এটা গাওঁবুঢ়া লগা হৈছে। বাৰু, এটা কৰিব লাগে; নহলে নো তই ভাল পাবি নে? বাৰু, যা এতিয়া।

ভোগ।—(হৰিষ্ মনেৰে আকৌ সেৱা এটি কৰি) ভাল দেউতা, বন্দী এতিয়া আহিলোঁ হে। সকলো ভেৰেষা দেউতাৰ ওপৰত হে।

ৰত্ন।—বাৰু, তই যাচোন, মই কৈছোঁ নহয়।—যাওঁ, মোৰো গা ধুবৰ পৰ হল। পানী দিছে নে নাই জানো? (ভোগমনৰ প্ৰস্থান।)

ৰত্ন।—(ভিতৰলৈ ৰিঙিয়াই) হেৰ, মঙলা।

মঙলা। (ভিতৰৰপৰা) দেউতা!

ৰত্ন।—হেৰ, এই ফালে আহ। (পটাত ৰছিত লিখাত মগ্ন)

মঙলা।—(মঙলা থিয় হৈ আছেহি, ৰত্নেশ্বৰে মন নকৰি লিখিয়েই আছে) দেউতা, মই হেৰিয়াৰ অ, আহিছোঁ নহয়। কি কব খুজিছে, হেৰিয়াৰ অ, নকয় নো কিয় আকৌ। সিফালে মই, হেৰিয়াৰ অ, শাকনিতে কোৰখন এধা-শলাকৈয়ে, হেৰিয়াৰ অ, এৰি আহিছোঁ!

ৰত্ন।—ইঃ, ইয়াৰ কোৰখন আধা শলা হোৱাত হে বৰকৈ চিন্তা হল! দিনটোত আৰু সময় নেপাব নহয়! হেৰ, গা ধুবলৈ পানী দিছ নে নাই?

মঙলা।—এৰা, হেৰিয়াৰ অ, এতিয়াও গা ধুবলৈ, হেৰিয়াৰ অ, পানী

দিবলৈ আছে। সিফালে তপত পানী, হেৰিয়াৰ অ, বাহী চেঁচা পানীৰ নিচিনা, হেৰিয়াৰ অ, হল আকৌ! বেলিও, হেৰিয়াৰ অ, ভাটী দিলে।

ৰত্ন।—বাৰু যা যা, ধঁপাত এচিলিম আনগৈ যা।

মঙলা।—ও গোসাঁই! এতিয়া আকৌ, হেৰিয়াৰ অ, ধঁপাত হুঁপিবৰ বেলি আছে! (আন ফালে মুখ কৰি ভোৰভোৰাই) বিষেয়া বুলিলে, হেৰিয়াৰ অ, পেটৰ নাৰী ছিগা! ভাল যেনিবা, হেৰিয়াৰ অ, মই এইখনত নাৰী-ছিগা হৈ, হেৰিয়াৰ অ, মৰিবলৈ আহিলোঁ! (মৌজাদাৰলৈ চাই) বাৰু, এতিয়া আহক, হেৰিয়াৰ অ, গা-ধোৱা পীৰাত বহিও, হেৰিয়াৰ অ, পাত হোঁপকহি।

ৰত্ন।—(হাঁহি হাঁহি) বাৰু, যা, যা, হেৰ লেবা, যা। তালৈকে আনগৈ যা। হেৰ, তালৈকে তেলো আনিবি।

মঙলা।—(যাওঁতে যাওঁতে) এৰা, হেৰিয়াৰ অ, এতিয়াও তেল দিবলৈ হেৰিয়াৰ অ, বাকী আছে!

ৰত্ন।—যাওঁ। (পটাত ৰছিত লিখি এঁটাই ৰত্নেশ্বৰো প্ৰস্থান)

তৃতীয় পট,—মৌজাদাৰণীৰ বুলনি।

(আগত তামোলৰ বটা লৈ অমিলা বহি আছে)

অমিলা।—(ভিতৰলৈ চাই) হেৰ পাহিটি! তহঁতে আৰু মেল পাতিয়েই থাকিবি নে? ইফালে বেলি ভাটী দিলে নহয়; পথাৰলৈ আজি আৰু কেতিয়া নো যাবিহঁক?

ভিতৰৰপৰা।—আইচু! ওলালোঁ, যাওঁ।

(ৰংদৈৰ প্ৰৱেশ)

অমিলা।—অ, ৰংদৈ আহিছ। বহ, সেই চলিপীৰা ডোখৰ টান মাৰি নি!

ৰংদৈ।—(মাটিতে বহি) নেলাগে আই-দেউতা, মাটিতে বহোঁ। বাটৰ খঁৰাকুকুৰেও বাট নিদিয়া মানুহ, আমি নো কি ঢৰা-পীৰাত বহিবৰ লায়েক!

অমিলা।—ক'ত নো খঁৰা-কুকুৰে বাট নিদিলে অ, ৰংদৈ?

ৰংদৈ।—এৰা, তেনেকুৱাই নহয় নো কি, আই-দেউতা! আজি-কালি নো আমাৰ বিলাইৰ কথা কি কম। শলুৰ ঢুকাবৰপৰা আৰু দিনে দিনে আমাৰ বিলাই চৰি হে গৈছে!

অমিলা।—এৰা, কৰোঁতা-মেলোঁতা নাই দেহি! এইবেলি নো খেতিৰ ধান কিমান পাবি? খাবলৈ আটিব নে?

ৰংদৈ।—হয়, আইচু! চপাব পাৰিলে, মুৰামুৰিকৈ আটিবগৈ। অকল ভাত-কাপোৰৰ দুখ হলেওচোন ৰইথা পাওঁ! আমাৰ নো কথা কি সোধে!

অমিলা।—আৰু নো কিহৰ দুখ? কচোন্ বাৰু; দুখ গুচাব নোৱাৰিলে, তেও পুতৌ কৰিব পাৰি।

ৰংদৈ।—নোৱাৰিব নো কেলৈ? আই-দেউতাই কেৰাহিকৈ চালেও, এনে দুখুনী বেটী হেজাৰজনী তৰিব পাৰে।

অমিলা।—(হাঁহি হাঁহি) বাৰু, কচোন ক, কিহৰ নো দুখটো ?

ৰংদৈ।—আই-দেউতা! হলা বাঁহক আটায়ে আঁজোৰে! শহুৰ ঢুকাবৰ-পৰা আমাক আৰু কোনেও গণিতাকে নকৰা হল। এতিয়া, যেয়ে পাৰে কুকুৰৰ দৰে টঙনিয়াই মাৰিবলৈ হে বিচাৰে। কিনো কম, আইচু, বুকু ফাটি যায় যেন লাগে, সিদিনা কচুখোৱা গাওঁবুঢ়াইঁতে বাটৰপৰা মোৰ নিচলা মানুহটোক কুলী ধৰি নি, কুকুৰাৰ মেটমৰা ভাৰখন দি, চেহাবৰ লগত মকচললৈ পঠালে। দুদিনৰ পাচত হে এধামৰা হৈ ওলাইছেহি! (কান্দিবলৈ ধৰে)

অমিলা।—(পুতৌ কৰি) আয়ৈ দেহি! ভোগমনক নো সিহঁতে কুলী দিব পায় নে? তেতিয়াই তই আহি আমাৰ ডাঙৰীয়াৰ আগত নজনালিহি কিয়? মোক কোৱা হলেও হলহেঁতেন।

ৰংদৈ।—কিনো কম আইচু, মই সিটোক লৈ যোৱাৰ ভালেখিনি পৰৰ পাচত হে আবেলি বুজ্ পালোঁ। কান্দি নো কি কৰিম আৰু? এতিয়া আই-দেউতাই অলপ চকু মেলি চায় বুলি হে বেটীয়ে ওচৰ চাপিছোঁহি।

অমিলা।—হয় তো; বাৰু তই যা, মই ডাঙৰীয়াক এই কথা কম। এতিয়াৰপৰা আৰু তাক কুলী নিদিয়ে।

ৰংদৈ।—নহয়, আইচু! বিবিনিৰ জইন্ নেমাৰিলে আকৌ মাজে মাজে উকাই হে থাকিব। সেই হে কৈছোঁ, বোলোঁ, আইদেৱে মন কৰিলেই হওঁতে বেটীৰ কামনা পূৰাব পাৰে।

অমিলা।—কেনেকৈ? বাৰু, তয়ে কচোন।

ৰংদৈ।—আইদেৱে যদি দুখুনীক কিৰ্পা কৰি, দেউতাক জনাই, সিটোক গাওঁবুঢ়া এটাকে পতাই দিয়ায়, তেনেহলে এনে আপদৰপৰা ৰইখা পাওঁ।

অমিলা।—মই নো এতিয়া ঠাৱৰকৈ কেনেকৈ কওঁ? বাৰু, আজি মই ডাঙৰীয়াক সুধি চাম। ত'ত যদি ভাল বোলে, হব পাৰিব।

ৰংদৈ।—(কাওৰাওকৈ) নহয়, আই-দেউতা! আপোনাতেই সদৌ ভেৰেষা। আপুনি টানি ধৰিলে, দেউতাই কেতিয়াও নুই নকৰে।

(কাপোৰৰ তলৰপৰা নিশিয়া মুগাৰ মেখেলাখন উলিয়াই দিয়ে)

অমিলা।—এ, নেলাগে নেলাগে আই হে, নেলাগে; তহঁত দুখীয়া মানুহ, কিয় এইবোৰ ভগন কৰিব লাগিছে? লৈ যা, তহঁতৰ হৈ মই যি পাৰোঁ এনেয়ে কৰি দিম। লৈ যা, আই হে, লৈ যা।

ৰংদৈ।—নহয়, আইচু, নললে বেটীয়ে বেজাৰ হে পাম। যেতিয়া নহব, আপোনাসকলহে খুজি-মাগি পিন্ধিম। আগবঢ়োৱা বস্ত্ৰ ওলটাই নিদিব। বেটী এতিয়া আহিলোঁ হে। (উঠে)

অমিলা।—বাৰু, এতিয়া যা। তহঁতে বাৰু বেজাৰ কৰি নাথাকিবি। মই যি পাৰোঁ কৰিম।

ৰংদৈ।—ভাল, আইদেউতা! (প্ৰস্থান)

অমিলা।—ময়ো যাওঁ। অলপ জিৰাওঁগৈ। (প্ৰস্থান)

ৰংদৈ।—(কাঁও-বাঁওকৈ) যি পাৰোঁ বুলিলে নহয়, আই-দেউতা, পাৰিবই লাগে। হাকিম দেউতাই আইদেউতাৰ কথা কেতিয়াও নেপেলায়; বেটীয়ে বেচকৈ জানোঁ।

অমিলা।—এ, তহঁতে নুবুজ; এইবোৰ চৰ্কাৰী কথা, মই খাতাংকৈ কেনেকৈ কম! তথাপি, ডাঙৰীয়াক আজি টানি কৈ চাম। তই বাৰু কাইলৈ আহি যাবিচোন।

চতুৰ্থ পট,—চাহাবৰ বঙলা।

(ভোগমনৰ হাতত এটা মইনা চৰাই আৰু এখাং সুমুথিৰা টেঙ্গা; ৰত্নেশ্বৰ আৰু ভোগমনে চাহাবলৈ বাট চাই জোমা-জুমি কৰি আছে।)

ৰত্ন।—হেৰ, চাহাব ওলালেই মই চেলাম দিম; তয়ো মোৰ পিচৰপৰা দীঘলকৈ চেলাম দি থিয় হৈ থাকিবি।

ভোগ।—ভাল দেউতা! পিচে, মই হলে কথা কব নোৱাৰিম; চেহাবক দেখিলেই মোৰ ভয় লাগিব। এতিয়াই মোৰ বুকুখন ঢিপিং ঢিপিং কৰি আছে, দেউতা!

ৰত্ন।—হেৰ, কটা, একো ভয় নকৰিবি। ভয় কৰা যেন দেখিলে হলে চাহাবে কেতিয়াও কাম নিদিয়ে। অ, ইয়ালৈকে হে গাওঁবুঢ়া হবলৈ মটমটাই ফুৰিছিলি? গাওঁবুঢ়া বুলিলে চাহাবৰ কত যে ডাবি হুকি খাব লাগিব তাৰ কি লেখ আছে!

ভোগ।—নহয়, দেউতা! তেতিয়াও এটা কথা। কাম পালে আৰু এনেকৈ ভয় নকৰোঁ। এতিয়া তেনেই নিচলা দেখি হে! তাতে আকৌ মই কেতিয়াও চেহাবৰ আগত থিয় হোৱা নাই। (চাহাবক ওলাই অহা দেখি কঁপি কঁপি) অ, দেউতা, দেউতা, দৌৱা, দৌৱা, ওলালহি, ওলালহি, আগ হওক! (ঠক্‌ঠক্‌কৰে কঁপিবলৈ ধৰে)

ৰত্ন।—হেৰ, কটা, কি কৰিলি! থিৰ হ! (চাহাবক দীঘলকৈ এটা চেলাম দিয়ে; পিচৰপৰা ভোগমনেও মাটিত হাত লগাই চেলাম এটা দি, কঁপিবলৈ ধৰে)।

ইয়ং।—ওৰেল, নৌজদাৰ আছিছে? ইয়াতে টোমাৰ কি কাম টাকিছে?

ৰত্ন।—এনেই হে হজুৰক চেলাম দিবলৈ আহিছিলোঁ। বিশেষ কাম একো নাই, হজুৰ!

ইয়ং।—আচ্ছা, টেনেহলে কিজানি টুমি এটিয়া যাব ফাৰে। (ভোগমনলৈ চাই) হেইটো কোন্ মানুহ টাকিছে? হেইটো কি আনিছে? হি কি কৰিব মাঙিছে?

ভোগ।—(কঁপি কঁপি) দেউতা, দেউতা, কওক, কওক; মোৰ কথাকে সুধিছে দেখোন!

ৰত্ন।—হজুৰ, সেইটো মোৰ মৌজাৰে মানুহ। তাৰ ঘৰত এই মইনা চৰাইটি আছিল; ভালকৈয়ে মাত-কথাও ফুটিছে। মই সিদিনা দেখি কলোঁ, বোলোঁ, এইটো হজুৰৰ বঙলাত থবলৈ হে ভাল হৈছে। ইয়ো বৰ ৰং মনেৰে হজুৰলৈ চৰাইটো আগ বঢ়ালে। আৰু, তাৰ বাৰীতে নতুনকৈ সুমুখিৰা টেঙ্গা জোপাদিয়েক আগতীয়াকৈ পকিছে। সি বোলে জয়ে-জয়ে হজুৰতে লগাব। সেই মনেৰে তাৰে গোটাচাৰেক সি লৈ আহিছে।

ভোগ।—হয় হজিৰ, খোদাবেণ্ডা, দেউতাই যি কৈছে, সেয়ে।

ইয়ং।—চৰাই ডেকি হামি কুব্ বাল ফাইছে। আচ্ছা, হেইটো মোৰ চন্দাৰৰ হাটতে ডিব ফাৰে। (ভোগমনলৈ চাই) হেইটো মানুহ কি হৈছে? হি কেলে কাঁপিছে? (চন্দাৰে আহি চৰাই আৰু টেঙ্গা নিয়ে)।

ৰত্ন।—এৰা, হজুৰ, গাঁৱলীয়া মানুহ, হজুৰক দেখি ভয় কৰিছে।

ইয়ং।—(ভোগমনৰ ওচৰ চাপি) টুমি কেলে বয় কৰিছে? হামি বাগ টাকিছে নে বালুক টাকিছে? (গা-চাপি গৈ ধেমালিকৈ) হামি কি জানি এটিয়া টোমাকে কাব ফাৰে!

ভোগ।—(ৰবকৈ কঁপি কঁপি) দেউতা, দেউতা, কি হয় এটা কওক। মোক বেয়াকৈ লাগিল দেখোন!

ইয়ং।—আচ্ছা, মৌজদাৰ! মই হলে টোমাৰ ওপৰ খুছি ফাইছে। এটিয়া টুমিলোক যাব ফাৰে। (ঘূৰিবলৈ ধৰে)

ৰত্ন।—হজুৰ, এই মানুহটোৰ কিবা একেবি খাটনি আছিল।

ইয়ং।—কি কাটনি টাকিছে? হেইটো কাট কাটিব মাঙিছে? অঃ, টেনেহলে হেইটো কাম টুমি ডেকিব ফাৰে।

বত্ন।—নহয় হজুৰ, আন কিবা সকাম হে আছিল।

ইয়ং।—কি কাম টাকিছে? টুমিলোকৰ এইঠো বহুত বয়া ডস্তুৰ টাকিছে; কোন্ কাম টাকিলে যদি, আগাৰি কেলে কাম নাই বুলি কৈ ডিছে? চব বাবুলোক এই ৰকম টাকিছে। আচ্ছা, হামি টোমাক হিকাই ডিছে, কোন্ কাম টাকিলে পহিলা কৈ ডিব লাগে; জানিলে?

বত্ন।—ভাল, হজুৰ! আমি অসমীয়া বুঢ়া মানুহ, হজুৰসকলৰ বিলাতী ধাৰণ ভালকৈ ভু নাপাওঁ।

ইয়ং।—আচ্ছা, কি কাম টাকিছে, এটিয়া কব ফাৰে।

বত্ন।—হজুৰ, তালন গাঁৱৰ ফালে মোক গাওঁবুঢ়া এটা লগা হৈছে। হজুৰে অনুমতি দিলে এটা লব পাৰোঁ।

ইয়ং।—টাটে আগাৰি দোছৰা গাওঁবুঢ়া নাই টাকিছে?

বত্ন।—হয় হজুৰ, আছোঁতে এটা আছে। কিন্তু, সি বুঢ়া মানুহ, এতিয়া আৰু অকলে ভালকৈ কাম চলাব নোৱাৰা হৈ পৰিছে।

ইয়ং।—আচ্ছা, গাওঁবুঢ়ালোক টলব নাই ফাইছে; টুমি এঁকঠো লব ফাৰে। হিঠো বুদ্ধা আছে; ইঠো যোবান মোটা মানুহ লব লাগে।

বত্ন।—ভাল, হজুৰ! হজুৰৰ আজ্ঞা পালে এই মানুহটোকে লব পৰা যায়।

ভোগ।—(থৰকৃবৰকৃকৈ) হৈছে, হজিব গোলাম খোদা-বেণ্ডা।

ইয়ং।—অঃ, হেইঠো গাওঁবুঢ়া হব নাই ফাৰিবে। হেইঠো একদম্ ডোবলা আডমি টাকিছে। কি জানি কানি কাইছে। হি কাম কৰিব নাই ফাৰে, টুমি ডোছৰা আডমি ডেকিব লাগে। কানীয়া আডমিকে হামি কাম কৰি নাই দিবে।

বত্ন।—নহয় হজুৰ, মই জানো, সি কানি নাথায়।

ভোগ।—হয়, হজিৰে গোলামে কানি নেখায়। কেতিয়াবা সঙ্গত পৰিলে টিকিৰা হে দুটা-চাইটা পোৰা হয়,—

ইয়ং।—চুপ্‌ৰাও। হেইটো কি বক্‌বক্ কৰিছে? হামিকে গালি দিছে?

বত্ন।—এইটোৱে নো টপ্‌টপাই আছে কেলৈ? কথা নুবুজে, এনেই বলকি থাকেচোন! (চাহাবলৈ চাই) নহয় হজুৰ, সি এনেই হে নিচলা; তাৰ বাপেকো এনেকুৱা আছিল। কিন্তু, গাঁৱৰ ভিতৰত হলে বৰ টনকিয়াল। কওঁতে কেনা লগাইছে এতিয়া হজুৰৰ আগত ভয় কৰি হে, গালি পাৰিবলৈ তাৰ কি শক্তি আছে!

ইয়ং।—অঃ, টেনেহলে চাহাবলোকৰ লগতে হেইটো কেনেকৈ কাম কৰিব পাৰিবে? গাওঁতে ডোছৰা আড্‌মি ভি টাকে বয় নাই কৰিবে।

বত্ন।—নহয় হজুৰ, নতুনতে সকলো এনেকুৱাই থাকে। পাচলৈ দেখি-শুনি আপুনি ভয় ভাগিব। আৰু, চৰ্কাৰী বিষয় এখন পালে নিচলাকো মানুহে ভয় নকৰি নোৱাৰে।

ভোগ।—হয়, হজিৰ, গোলাম, অলপ কিৰ্‌পা পালে গৰিপ বইথা পৰে।

ইয়ং।—হেইটো কোন বইকা পৰে কৈছে?

বত্ন।—অৰ্থাৎ, হজুৰে মৰম কৰি তাক কামটো দিলে সি সুখ পাব; সি ডাঙৰ হৈ তৰিব পাৰিব বুলিছে।

ইয়ং।—অঃ, গাওঁবুঢ়া কামতে কি হুক্ টাকিছে? টাটে টলব নাই টাকিছে। টেনেহলে হেইটো কাম কেলে মাঙিছে? মই জানিছে, টাটে কি জানি বহুত লাব টাকিব ফাৰে।

বত্ন।—নহয় হজুৰ, আন কি লাভ আছে,—সেই, বিয়াই-সবাহে আগ-ঢাৰি, আগ-পাত, মেল-দোৱানিত আনতকৈ দুটা পইচা সবহকৈ পোৱা, এয়ে গাওঁবুঢ়াৰ লাভ। আগৰদিনীয়া ভালমানুহৰ লৰা হলেই মানফেৰাৰ নিমিত্তে এই কামত সোমায়। হওঁতে, ইয়ো বেয়া ঘৰৰ লৰা নহয়, ইহঁতক বামনৰ ঘৰৰ বোলে।

ইয়ং।—অঃ, আৰু কব নাই লাগে, হামি চব জানিলে। (ভোগমনলৈ চাই) আচ্ছা, টুমি কাম কৰিব ফাৰিবে?

ভোগ।—(কঁপি কঁপি) হজিৰ, হজিৰ গোলাম—

ইয়ং।—(মিছা খং দেখাই) ইউ ডেম্ ফুল! কি হজুৰ গোলাম বুলি টাকিছে! কাম কৰিব ফাৰিবে? চাহাবলোকৰ খং হুনিব ফাৰিবে? (গোৰোহনি মাৰে)

ভোগ।—(ভয়ত চুৰ্ত্তি হেৰুৱাই) হয়, হজিৰ গোলাম ডেম্-ফুল্! মই একো জগৰ কৰা নাই,—দোহাই মহাৰাণী!

ইয়ং।—(খঙেৰে) ইউ ডেভিল, ৰাস্কেল! টুমি হামাকে গালি ডিছে? বয় ডেকাইছে? টুমি মহাৰাণী মাটিছে! টুমি হামাকে বোকা ডেকিছে?

ভোগ।—(বোকা হোৱা ঠাই এডোখৰলৈ চাই) অ, হয়, হজুৰ বোকা হয়! মই এতিয়া হে মন কৰিছোঁ হজুৰ বোকা আছে। কিন্তু মই গাওঁবুঢ়া হলে হজুৰ আৰু বোকা নাথাকে।

ইয়ং।—(অপ্ৰস্তুত সেমেনাসেমেনিকৈ হাঁহি হাঁহি) আচ্ছা, টুমি টিক্ কাম কৰিব ফাৰিবে?

ভোগ।—কাম দিলে হজুৰ গোলামে চাব পাৰে।

ইয়ং।—অঃ, চাব ফাৰিলে নাই অবে? কাম কৰিব ফাৰিব লাগে। কুলী ধৰিব ফাৰিবে?

ভোগ।—(টনকিয়াল হৈ) অঁঃ, পাৰিম হজুৰ; কোনো কথা নাই।

ইয়ং।—(হাঁহি হাঁহি) আচ্ছা, টুমি কাম পাব ফাৰে। (ৰত্নলৈ চাই) মৌজদাৰ, আচ্ছা, টুমি টাকে গাওঁবুঢ়া বনাব ফাৰে।

ৰত্ন।—ভাল, হজুৰ! আজিয়েই তাক মকৰলি পৰণা দিয়ামগৈ।

ইয়ং।—আচ্ছা, এটিয়া টুমিলোক যাব ফাৰে।

ৰত্ন।—(দীঘলকৈ চেলাম দি) ভাল হজুৰ, গোলামহঁত এতিয়া আহিলোঁহে। মকৰলি পৰওণা লবলৈ কাছাৰি হজুৰলৈ বৈ থাকোঁগৈ।

ভোগ।—(মাটিত হাত লগাই চেলাম দি দি পিচহুঁহকি গৈ গৈ প্ৰস্থান)।

পঞ্চম পট,—মৌজাদাৰৰ চৰা।

(এখন গাঁৱলীয়া মেল।)

১ম, মে।—হেৰ, গুচৰীয়া-পদকীয়াইঁত, কিনোৰূপেসৈতে, মেল-মৰা কি পেলাবি কিনোৰূপেসৈতে পেলাইঁক।

২য়, মে।—এৰা, আৰু পলম কৰাৰ সকাম নাই; কি পেলাব লাগে পেলাইঁক। গোচৰ কিন্তু শকতেই, তাকে চাই হে পেলাব লাগে।

গুচৰীয়া।—মই বাৰু এই অটকা পেলাইছোঁ। (বটাত টকা থয়) পিচে, মকটমাৰ খৰচাটো এনেই যাব নে?

৩য়, মে।—সেইটো কিন্তু পাচ কথা। মেলত তাৰ কিন্তু যি হয় বিচাৰ হব। কিন্তু গোচৰ চাই কিন্তু তোৰ পেলোৱা কিন্তু হোৱা নাই; আৰু এটকা কিন্তু পেলাব লাগে।

গুচৰীয়া।—মোৰ আৰু এইখন কৰোতেই হাত উদং হব লগা হলহি! (আৰু এটকা দিয়ে) বাৰু, আৰু অটকা পেলাইছোঁ।

৪র্থ, মে।—গোচৰ বুলিলে, তাৰ পৰিণামে, দেৱলীয়া কৰি হে এৰে; তাৰ পৰিণামে, ইয়াকে বৰ টান পালি। এতিয়া পদকীয়াই, তাৰপৰিণামে, পেলাব লাগে।

পদকীয়া।—ককাইঁত, মোৰ হাতত হলে সিমান নাই, আধলি এটা হে আছে। তাকে পেলাব পাৰোঁ।

১ম, মে।—হাতত নাই, কিনোৰূপসৈতে, ধাৰ কৰিল। এতিয়া নাই বুলিলেই, কিনোৰূপসৈতে, হব হবলা?

পদ।—এৰা, তোমালোকে লাগিছা যেতিয়া এৰিব খুজিছা নে? (মেৰতলিৰ পৰা টকা দুটা উলিয়াই বটাত থয়)।

(ভোগমনৰে সৈতে মৌজাদাৰৰ প্ৰৱেশ)

(মেল আৰম্ভ ; মৌজাদাৰে মৌজাৰ কাকত লিখিবলৈ ধৰি আওকণীয়া হৈ বহে ; মেলুৱৈইবিলাকে কাৰো কথালৈ কোনেও কাণ-নিদিয়াকৈ একে সময়তে অসংলগ্ন কথাৰে নিজ নিজ মত প্ৰকাশ কৰি মেল মাৰিবলৈ ধৰে) ঃ—

১ম, মে।—মই, কিনোৰূপেসৈতে, তেতিয়াই কৈছিলোঁ, বোলোঁ, তইঁতৰ ভাব-গতি, কিনোৰূপেসৈতে, কিবাহে দেখিছোঁ ; ভালে ভালে থাকোঁতেই, কিনোৰূপসৈতে মানুহ-দুনুহ চপাই ভিতৰুৱা বস্তুৰ, কিনোৰূপেসৈতে, ভাগ কৰি লইঁক।

২য়, মে ;—তোৰ যদি মনে মনে তেনে ভাব আছিলেই, তেন্তে তই ককায়েৰক কব হে পাৰ, বাপুৰে একেলগে থবলৈ মোৰ মন নাই, আমাৰ বস্তুৰ ভাগ হব লাগে। পোনেই নো গোচৰখন কৰিবলৈ ওলাব লাগে নে ?

৩য়, মে।—বাপেৰ কিন্তু ঢুকাবৰ নৌ-চাইদিন হওঁতেই কিন্তু তইঁতৰ ভিতৰত কিন্তু এনে খোঁচা-খুঁচিখন কিন্তু হব পায় নে ? এনে কথাৰ মুৰত হে কিন্তু হেৰিয়াৰ ঘৰৰ কিন্তু ভেঁটি উচন্ হব লগাত কিন্তু পৰিছে।

গুচৰীয়া।—মই বৰলা মানুহ, বোলোঁ, মোৰ নো কি ঘৰ আছে ; ককাইৰ হাতত থাকিলে নো মোৰ ভাগ-বস্তু কলৈ যাব। অ, এতিয়া তেওঁ চল পাই চপাই বনমালী কৰিব খোজে !

৪ৰ্থ, মে।—ইইঁতে আৰু, তাৰপৰিণামে, গাঁৱৰ বুঢ়া-মেথাকো, তাৰপৰিণামে গণিতা নকৰা হল। এইখন কৰাৰ আগেয়ে, তাৰপৰিণামে, আমাক এটায়ো যদি, তাৰপৰিণামে, এটা কথা সুধিলে ! ইও, তাৰপৰিণামে, মেনে-মেনেই ফন্দীখন, তাৰপৰিণামে, পাতিলে, সিয়ো মেনে-মেনেই, তাৰপৰিণামে, কেছাৰি ঘৰ উঠিলগৈ।

পঞ্চ।—দেখাদেখি যি বস্তু আছিল, সেইবোৰ এতিয়াও আছে। ভিতৰুৱা বস্তু কেতিয়াবাই হুয়ো আপোছতে ভাগ কৰি ললোঁ। এতিয়া সি তাৰ ভাগ

কৰবাত লুকুৱাই থৈ, লোকৰ বুদ্ধিৰে, মোৰ ওপৰত এইখন মিছা মকটমা কৰিলে কি হব ?

১ম, মে।—সেই দিনা, কিনোৰূপেসেতে, গৰুটো বেছিবলৈ ধৰোঁতেই, কিনোৰূপেসেতে, মই তাক বুজাই কলোঁ, বোলোঁ, কিনোৰূপেসেতে, ভায়েৰ নথকাত গৰু বেছাটো, কিনোৰূপেসেতে, ভাল হোৱা নাই।

ৰত্ন।—তোমালোকে লগ-বান্ধ নোহোৱা কথাৰে হাই-উকমি কৰিয়েই থাকিবা নে ? আজিৰ মেল নিছিঙ্গো বুলি লাগিলাইঁক নে কি ?

ভোগ।—ৰাইজসকল ! এই ফালে কাণ দিওক, দেউতাই কিবা কব খুজিছে (সকলোৱে নিমাত হৈ মৌজাদাৰৰ ফালে চাই ৰয়)।

ৰত্ন।—বোলোঁ, সোধা-পোছা কৰি গোচৰৰ এটা মীমাংসা কৰি দিয়াটোহে ভাল। (সকলোৱে 'হয়' 'হয়' কৰে)। এতিয়া আমি গুচৰীয়াক সুধিব লগীয়া একো নাই ; তাৰ আৰ্জ্জিতে সকলো পোৱা গৈছে। পদকীয়াই কচোন বাৰু, তই নো ভিতৰুৱা বস্তুৰ ভাগ নকৰাকৈয়ে কিয় সোপাকে গ্ৰাহ কৰিব খুজিছ ?

পদ।—নহয় দেউতা-ঈশ্বৰ ! এই অতথিনি ভকতৰ আৰ হবলৈকে মই মিছা নকওঁ ; তাৰে মোৰে ভিতৰত ভিতৰুৱা বস্তুৰ ভাগ কেতিয়াবাই হৈ গল। এতিয়া, সি তাৰ ভাগৰ বস্তু কৰবাত লুকুৱাই থৈ, লোকৰ বুদ্ধিৰে, মোৰ ওপৰত এইখন মিছা মকটমা কৰিছে।

ৰত্ন।—তাৰ কিবা প্ৰমাণ আছে নে ? ভাগ কৰাৰ সময়ত কোন্ কোন্ আছিল ? কোনে কোনে দেখিছিলে ? তই তাৰ সাক্ষী দিব পাৰ নে ?

পদ।—তেতিয়া, দেউতা, আন কোনো নাছিল ; মাথোন, মোৰ ঘৰৰ মানুহজনী হে আছিল।

মেঃ বিলাক।—(গিৰ্জ্জনি মাৰি হাঁহি) এৰা, হয়, তোৰ ঘৈণীয়েৰক হে সাক্ষী মানিব লাগিল, ঐ !

গুচৰীয়া।—দেউতা, ৰাইজসকল, মই কোতিয়াও মিছা নকওঁ। তাৰে-মোৰে ভিতৰত বস্তুৰ ভাগ কেতিয়াও হোৱা নাই। সি বাৰু কীৰ্ত্তন পুথিত ধৰি শপত খাওক, মই এৰি দিম।

পদ।—ওঁঃ, সঁচা হলেও, মিছা হলেও, মই কেতিয়াও শপত নেখাওঁ। জলা জুয়ে শুকানো পোৰে, কেঁচাও পোৰে।

ৰত্ন।—বাৰু, তেন্তে সিয়ে শপত খাওক, তই ভাগ-বস্তু দিবলৈ গাত ল।

পদ।—ভাল, দেউতা, সিয়ে শপত খাওক; লামৰাকতি যি এড়োখৰ আছে, তাৰে ভাগ কৰিবলৈ মই মান্তি আছোঁ।

ৰত্ন।—সি কথাই কথা নহব; মোৰ গাওঁবুঢ়াইঁত গৈ, মানুহ-দুনুহ চপাই, ভাগ কৰি দিবগৈ। বাৰু, এতিয়া শপত খুৱাবলৈ দিহা কৰা হওক। (ভিতৰলৈ চাই) হেৰ মঙলা! হেৰ, হাত-ভৰি ধুই শুচি হৈ, কীৰ্ত্তন পুথিখন লৈ আহ।

৩য়, মেঃ।—এৰা, কিন্তু হাকিমৰ মুখেই কিন্তু নিষ্পতি।

১ম, মেঃ।—অঃ, কিনোৰ্ম্মসৈতে, নহব নো কিয়? কিনোৰ্ম্মপেসৈতে, হাকিম নো আকৌ, কিনোৰ্ম্মপেসৈতে, বোলে কিয়?

মঙলা।—(ভিতৰৰপৰা হাতত লোটা এটাৰে সৈতে মুৰত কীৰ্ত্তন পুথি লৈ আহি মেলুৰৈ এজনৰ প্ৰতি) হেৰা, ঠাইখন, হেৰিয়াৰ অ, অলপ মোহাৰি দি, হেৰিয়াৰ অ, তাতে বটাটো থোৱাঁ দেও হে! (মেলুৰৈ এজনে মাটিত হাত ফুৰাই বটা পাতি দিয়ে; বটাৰ ওপৰত কীৰ্ত্তন পুথি ৰাখি মঙলাৰ প্ৰস্থান)।

ৰত্ন।—বাৰু, এতিয়া আমাৰ কচুখোৱা গাওঁবুঢ়াই তাক শপত খুউৱাচোন।

কচু।—ভাল। (উঠি গৈ) হেৰ, আঃ, আঁঠু লহি।

গুচৰীয়া।—(উঠি গৈ আঁঠু কাঢ়ি কীৰ্ত্তনত ধৰি) বোলক।

কচু।—ক, বুলি, ককাইৰে মোৰে ভিতৰত যদি বস্তুৰ ভাগ হৈছিল, তেন্তে মোৰ দেহ-নাম ভগন হব।

গুচৰীয়া—ভগন হব।

১ম, মে।—অঃ, কিনোৰূপে সৈতে, অকল 'হব' বুলিলেই, কিনোৰূপেসৈতে, নহব। গোটেইখিনি বচন, কিনোৰূপেসৈতে, লুটিয়াই কব লাগে।

গুচৰীয়া।—এঃ, সিমানবোৰ কথা মোৰ মনত নৰয় দেও হে।

কচু।—বাৰু, এটা এটাকৈ কৈ যাওঁ, তই ধৰি যাবি। ক, বুলি—

গুচৰীয়া।—ক, বুলি।

কচু।—এঃ, পোনেই গুৰিতে নধৰিবিচোন।

গুচৰীয়া।—বাৰু গুৰিত নধৰোঁ; আগত ধৰিম।

কচু।—বুলি, বস্তুৰ ভাগ হৈছিল যদি, মোৰ দেহ-নাম ভগন হব।

গুচৰীয়া।—দেহ-মান ভাগ হব।

কচু।—নহয়, দেহ-নাম।

গুচৰীয়া।—হয়, বাৰু দেহ-মান।

কচু।—কি আঁকৰা ঔ, এইটো! বাৰু ক, ভগন হব।

গুচৰীয়া।—বাৰু ক, ভগন হব।

কচু —এঃ, ইয়াক আৰু বোলাব নোৱাৰি দেও হে!

১ম, মে।—বাৰু, হৈছে; কিনোৰূপেসৈতে, সেয়ে পাবগৈ। এতিয়া বিলনীয়া উঠি কিনোৰূপেসৈতে মেলমৰা বিলাই দিব লাগে।

৩য়, মে।—হয়, কিন্তু গোটাৰূপ কেটকা কিন্তু শিউলালৰ গোলাত কিন্তু পইচাকৈ ভঙাই আনোগৈ কিন্তু (বটাৰপৰা টকা লৈ ওলাই গৈ পাকতে ভঙনীয়া পইচা আনি বটাত লেখি লেখি থয় হি।)

(বিলনীয়াই মানুহ-চাই মেল-মৰা বিলাই দি গৈ ভোগমনৰ ভাগ দিয়েগৈ)

ভোগ।—(উচাৎ মাৰি) ইঃ, মই ইমান হে পাওঁ নে? সৌৱা, টেপেৰা গাওঁবুঢ়াইঁতে কিমান পাইছে নাচাৰ কিয়? বোলে, 'সমানৰ ভাই, পাইকৰ ককাই'; চাই-চিতি কাম কৰিব লাগে।

বিলনীয়া।—সিইঁতে যিমান পাব লাগে সিমান পাইছে। গাওঁবুঢ়া বুলিলে আগে-পাচে বি নিয়মে পায়, এতিয়াও সেই নিয়মেই পাইছে।

ভোগ।—মই নো তেন্তে সেই নিয়মেই নেপাম কিয় ? (খং কৰি) মোক নো পিচে কিয় বে-দস্তৰ কৰি দিছা ?

বিলনীয়া।—(আচৰিত ভাৱে হাঁহি) তই নো আকৌ কহানিৰপৰা সেই নিয়মে পোৱা হলি ? (ৰাইজে গিৰ্জ্জনি মাৰি হাঁহে)।

ৰত্ন।—অ, নহয়, তাক তালন গাৱঁৰ ডেকা-গাওঁবুঢ়া পতা হৈছে। সিদিনা চাহাবে তাক মকৰলি পৰণাও দিছে।

১ম, মেঃ।—হয় নে দেউতা ? এ, আমি, কিনোৰূপে সৈতে, ভূকে পোৱা নাই। অ, তেন্তে তেওঁকো, কোনোৰূপেসৈতে, মান ৰাখি দিব লাগে। (বিলনীয়াই আকৌ দিয়ে) ল, তেনেহলে গাওঁবুঢ়াৰ সমানেই ল, আমাত একো কথা নাই। (বিলনীয়া বহেগৈ)।

১ম, মেঃ।—দেউতা, এতিয়া আৰু, কিনোৰূপেসৈতে, আমি উঠো হে।

ৰত্ন।—বাৰু, যোৱাঁহঁক। ময়ো উঠোঁ।

(সকলোৰে প্ৰস্থান)

৩। অঙ্ক।

প্ৰথম পট,—ভোগমনৰ মাৰলঘৰ।

(ভোগমন, বংদৈ আৰু জেতুকী)

জেতুকী।—(পিৰালিত বহি নাম গায়) "বদালি এ বদ দে। আলি কাটি জালি দিম, বৰপীৰা পাৰি দিম, তাতে বহি বদ দে॥" (ঘুৰাই ঘুৰাই গাই থাকে)

ভোগ।—(পুৱা শুই উঠি আহি চকু মোহাৰি মোহাৰি) হেৰ, শুনিছ নে, এইপিনে আহ। (আপোনা-আপুনি) এতিয়াই নগলে, খেজেনা দিবগৈয়া মানুহবিলাকক ঘৰত পোৱাগৈ টান হব।

বংদৈ।—(বৰঘৰপৰা ওলাই আহি) কি হল? কেলৈ?

ভোগ।—সেই ভদৰীচুকৰ নিধক মানুহবিলাকে আজিলৈকে মৌজাদাৰৰ খেজেনা পইচা এটাকে দিয়াহি নাই; মৌজাদাৰে কালি গধুলি খঙত একোনাই কৰিছে! মই তালৈকে যাওঁ, পলমে হে ওলামহি। তামোল গোটাচেৰেক আৰু পাণবিৰাদিয়েক বান্ধি গামছাখন লৈ আহ।

বংদৈ।—(মুখ জোকাৰি) উ, উ, মই বোলোঁ কিবাটোহে হল! মৌজাৰীৰ কামতে এইদৰে সদাই টলৌ টলৌকৈ ফুৰি থাকিলেই ভাত-কাপোৰ এটাইবোৰ আপুনি হব।

ভোগ।—কিনো কৰিম বাৰু! সেই বুলি, চৰ্কাৰী কাম নকৰি পাৰি নে?

বংদৈ।—চৰ্কাৰী কাম নকৰি নোৱাৰি হয়, পিচে আমি হবলা ইফালে নেখাই মৰিব পাৰোঁ? তেন্তে, চৰকাৰে আমাক এটা জীৱিকাৰ উপায় নিদিয়ে কিয়? ঘৰৰ খাই পৰৰ হৈ খাটি মৰা ক'ত আয়ণ আছে?

ভোগ।—নেখাই নো ক'ত কেইটা মৰিব দেখিছ? গোসাঁয়ে এক ৰকমে খুৱাব। সংসাৰৰ গতিয়েই এনে!

ৰংদৈ।—এৰা, হাত সাবটি বহি থাকিলেও গোসাঁয়ে বঢ়া ভাত আগত দি খুৱাই দিবহি নহয়?

ভোগ।—(বেজাৰ মনেৰে) মোক নো তই কিমান বহি থকা দেখিছ বাৰু? মোৰ নিচিনা দুখকাৰী জীৱ আৰু সংসাৰত কোনোবা আছে নে নাই মই কব নোৱাৰোঁ।

ৰংদৈ।—বহি থকা নাই, ঘূৰিয়ে ফুৰিছহঁক। পিচে, কালৈ? লোকক খুৱালেই নিজৰ পেট ভৰে হবলা? তেনেহলে যাহঁক, খাবলৈ নিবিচাৰিবিহি মুঠে'। মই নো কৰপৰা খুৱাম?

জেতুকী।—(পিৰালিৰপৰা লৰি আহি মাকৰ আঁচলত ধৰি) আই! মই ৰাতিপুৱা খাবলৈ কালি ভাত থৈছিলি নে? দেহি আহ, মোৰ ভোক লাগিছে।

ৰংদৈ।—(খঙেৰে) গুচ্ এই কুলইখনী জনী এইখনৰপৰা। কৰবাৰ খং কৰবাত সাৰিম পাচে!

জেতুকী।—(কান্দি কান্দি বাপেকলৈ চাই) বুপাই, চাচোন আয়ে মোক ভাত নিদিয়ে!

ভোগ।—(বেজাৰ মনেৰে জেতুকীক কোলাত তুলি লৈ) নেকান্দিবা মোৰ আই! মোৰ আয়ে আপুনি বিচাৰি খোৱাঁগৈ যোৱাঁ। (জেতুকীৰ প্ৰস্থান)

ভোগ।—তোৰে সৈতে এইদৰে চুপতি মাৰি থাকিলেই মোৰ গা নুজুৰায়। মই যাওঁ। কি কৰ, কৰি থাক।

ৰংদৈ।—এৰা, ঘৰৰ কথা পাতিলে গা নুজুৰায় তো! যা, এতিয়া দিনটো টলৌ টলৌকৈ জুৰণি বিচাৰি ফুৰগৈহঁক। আজি দুবছৰে ফুৰি ফুৰি যিখিনি জুৰণি চপাই আনিছ, সেয়ে তিনিওটাৰে গা জুৰাইছে নহয়! লোকে বিষই লয় সুখ খাবলৈ, আমাৰ বিষয়ে দুখৰ পাচি ভৰাইছেহি। মাজ-পথাৰৰ ধান

দেখি হে ইমান দিনলৈকে আছিল; এতিয়া চাৰিওফালে লোকৰ ধান দাই নি মুকলি কৰি দিলে; যি এডাল আছে সিও উদঙ্গীয়া গৰুৰ ঘাঁহ হওক! মই নো একেজনী মানুহে কেইপিনে চাম? ঘৰলৈকে চাম নে, ধানকে চপাম? গাঁৱে গাঁৱে ফুৰি থাক, তেও বা কৈ-মেলি এজনী মানুহকে মাতি আনি ধান কেমুঠি কটাই লওঁ, এনেটোও মনত নাই। যি হয় হৈ থাওক, ময়ো উভতি নেচাওঁ। এই বেলি ভাত-ভঁৰালৰো ভিকাচন ভাগিব!

ভোগ।—হেৰ, এনে কথা নো কিয় কৱ? মোৰ হবলা সেইটো গিয়ান নাই? পিচে, কি কৰিম, আজিকালি মানুহৰ ভিতৰত কাক কোনে মানে? মোৰ কথা এৰিয়ে দে, সিদিনা হাকিমৰ ধান দাবলৈ কওঁতেই সোণাৰিয়নীহঁতে টেঁটুতে ধৰাদি ধৰিলেহি। বাৰু, যি হয় হক। পিচে, এতিয়া এইদৰে বলকি থাকিলেই হব নে? ভাত-পানী ৰান্ধি থৈ, তয়ে যি পাৰ দাই থবি, মই সিবেলাকৈ যি পাৰোঁ চপাম হি।

ৰংদৈ।—বাৰু যাহঁক, চপাবলৈ পাবিহি। মই যাওঁমানেই সিফালে উদঙ্গীয়া গৰুৱে পেটত চপাই থব। হাঁয়, হাঁয়, এইবেলি আৰু ভাতমুঠিৰো ভিকাচন ভাগিব যেন হে পাইছোঁ। ভাল যেনিবা মই খাটি-লুটি ভেঁটী-ভাৰ দিয়াই, মান ৰইখ কৰিবলৈ বুলি বিষয় লোৱাঁওঁতে, এতিয়া জীৱই ৰইখা নপৰা হল! সঁচাকৈ এই বিষই খাবলৈ গৈ যেনিবা বিহ হে খালোঁ!

ভোগ।—(দীঘলকৈ হুমুনিয়া কাঢ়ি) ওঁ, হুঁ! কি কৰিম! সকলো ঈশ্বৰৰ বন! যাওঁ, বেলি হে হল। সোনকালে নেপালেগৈ সিফালে কাকো নেপামগৈ; দিহা-দিহি ওলাই যাব। (জেতুকীক লৈ ৰংদৈ সোমায়, ভোগমন বেজাৰমনেৰে ওলাই যায়)

দ্বিতীয় পট,—মৌজাদাৰৰ বাটচৰা।

(ৰত্নেশ্বৰ আৰু কচুখোৱা।)

ৰত্ন।—(খঙেৰে) মোৰ ফালে যেই হওক, তহঁতে মাথোন গাঁৱে গাঁৱে মেল মাৰি সিধা-পাতি বিচাৰি ফুৰিবি। পৰহিলৈ খাজানা নোশোধালেই নহয়, ইফালে আজিলৈকে তাৰ আধাৰো-আধা উঠা নাই। তোৰ ফালৰ মানুহ-বিলাকৰ হে তেনেই বাকী পৰি আছে।

কচু।—দেউতাই যেনে ভাল দেখে কৈ থাওক, আমাৰ শুনিবৰ দিন পৰিছে, শুনি থাকিম! মই নো মেল মাৰি সিধাকে বিচাৰি ফুৰোঁ নে দেউতাৰ কামকে কৰোঁ, সেইটো নেদেখা-জনে দেখি আছে। চুৱাখোৱা নিলাজহঁতে ৰজাৰ খেজেনা দিব লাগে বুলি জানিও নিদিয়েহি, মই নো কি কৰিম!

ৰত্ন।—কোমল মাত পালে নো কোনে দিয়েহি? তহঁতৰ সিধা-পাতিৰ কেনে-বাকৈ পৰালি পৰে বুলি, ভয়ত মানুহক টানমুখীয়া হৈ কব পাৰিলে হে! বাৰু, মোৰ ফালে যি হয় হওক, তহঁতেই তৰি থাক্। (খঙত এফলীয়া হৈ নিটাল মাৰে)।

কচু।—দেউতাই কবলৈ ভাল পাইছে কওক। আমি নো কেনে দৰে তৰিছোঁ, সকলো দেখিয়েই আছে। চৰ্কাৰী কামতে দিনটো ঘূৰি ফুৰোঁতেই যায়, ঘৰৰ বন বুলি কুটা এগছ দাঙ্গি ধৰিবলৈকো আজৰি নেপাওঁ। সিফালে কৰোঁতা-মেলোঁতা গোটাচেৰেক থকা হলেও এটা কথা আছিল। সেই কান্দি-ভাতখোৱা লৰা দুটাৰে সৈতে একেজনী মানুহে হেপোৰ-তেপোৰকৈ নো কিমান কৰিব পাৰে? দেউতাই আমাক তৰিবৰ কথা হে কৈছে, গাওঁবুঢ়া হবৰপৰা আৰু আমাৰ অৱস্থা দিনক-দিনে তললৈ হে গৈছে। আৰু বা কি হব লগা আছে, ঈশ্বৰে হে জানে। ইমানকৈ খাটি মৰাৰ বাবে যদি খেজে-

নাকে টকাচেৰেক ৰেহাই পালোহেঁতেন, সিও এটা কথা আছিল; আমাৰ কপালেৰে ভাল যেনিবা নিকিনা-গোলাম সোমাই মৰিব লগা হলোঁ!

ৰত্ন।—(উলটি) বেয়া পাইছ যদি, এৰি পেলা এইখন বিষয়। মই তোক কাবৌ কৰি ৰখা নাই। নোৱাৰ কৰিব কাম, গুচি যা। তই গলে এই কামৰ কাৰণে দহোটাই চুঁচৰি ফুৰিবহি।

কচু—(বেজাৰমনেৰে তলমূৰ কৰি) হে হৰি!

(ভোগমনৰ প্ৰৱেশ)

ৰত্ন—(খঙত জলজলাই ভোগমনৰ প্ৰতি) টোপনি ভাগিল নে? নাই, নিজৰ পেটলৈ কাৰবাৰ কৰি ফুৰি এতিয়াহে মুখখন দেখুৱাবলৈ আজৰি পালি? তহঁতৰ কাম কৰিবলৈ যদি মন নাই, আজৰি নাই, তেন্তে কিয় চুঁচৰি-বাগৰি খাটি-লুটি গাওঁবুঢ়া হবলৈ বিচাৰি ফুৰ?

ভোগ।—দেউতা, মই পুৱাতে উঠি গৈ ভদৰীচুকৰ ইমূৰৰপৰা সিমূৰলৈকে ফুৰি বাজে বাজে দেউতাৰ কাষ চাপিছোঁহি।

ৰত্ন।—মিছলীয়া, নিধক! পুৱাতে উঠি আমাৰ কামলৈ যোৱাৰ চিন্ পাইছোঁ নহয়,—আজি ভদৰীচুকৰ খাজনা দিবলৈ অহা মানুহেৰেই চৰা-ঘৰ ভৰি পৰিছিল!

ভোগ।—দেউতা, বন্দীয়ে কি কম; আন মানুহেও দেখিছে নহয়। মই ঘৰে ঘৰে গৈ গালি-শপনি পাৰি কৈ ফুৰিছিলোঁ। সিহঁত এটাইখন যাওঁ-যাওঁ বুলি ওলাইছিল; আৰু ৰাতিয়া, ভদি, কেৰ্কেটু, ডোমাই, ৰহপুৰ এই কেইটা মোৰ লগতে ওলাই আহিছিল। মই সিহঁতক দেউতাৰ এখেলৈ পঠিয়াই দি, সিচুবুৰীলৈ গলোঁগৈ। সিহঁত নাহিল হবলা?

ৰত্ন।—(চকু পকাই) হয়, মই জানিছোঁ। সিহঁতক পঠিয়াই দি, তই নিজৰ পেটলৈ শিধা বিচাৰি গলি; ইফালে তোৰ মন বুজি সিহঁতেও নিজৰ পেটৰ নিমিত্তে কাৰবাৰ কৰিবলৈ দিহাদিহি গুচি গল চাগৈ।

ভোগ।—দেউতা, কেলেই নো কয় এনে কথা? মই বাজে-বাজেই এই-থিনি পাইছোঁহি; কিনো শিধা-পাতি গোটাই আনিছোঁ দেখিছেইচোন। সেই দৰে গোটাব পৰা হলেচোন মোৰ এনে দশা নহয়েই। পাৰোঁতে নো তিৰোতাই বেজাৰত কয়, বোলে, মান ৰইখা কৰিবলৈ চাওঁতে এতিয়া জীৱই ৰইখা নপৰাত পৰিল!

ৰত্ন।—এতিয়া তইঁতৰ বগকনি শুনি থাকিলেই মোৰ গা নৰয়। পৰহিলৈ খাজনা নোশোধালেই নহব; কালিৰ ভিতৰত যদি তোৰ ফালৰ আটাই-বিলাক মানুহে খাজনা নিদিয়েহি, তেন্তে বাৰু কি দেখ দেখিবি।

ভোগ।—ভাল দেউতা, চাব লাগে। ভাতমুঠি খায়ে আকৌ যাওঁগৈ। কি কৰিম!

ৰত্ন।—ৰাতিপুৱাৰেপৰা এই বেলি ভাটী দিয়ালৈকে ঘি কৰিলাগৈ সেয়ে আমাক আঁটিছে; মিছাকৈ ইবেলাও মেল মাৰিবগৈনালাগে। অকল সেইটোৱেই কাম নহয়। কালিয়েই টেকেলাই পৰওনা দি গৈছেহি, আজি আবেলিকৈ বৰ-চাহাব এইখিনি পাবহি; চাৰি বজাৰ সময়ত সকলো ৰচদ-পাতি ঠিক কৰিব লাগে। তই গৈ মৰিয়াগাওঁকেখনত বিচাৰি কুকুৰা দহোটা আৰু কণী দুবুৰি-মান গোটাই নি বৰচাহাবৰ আৰ্দ্দলিৰ হাতত দিবিগৈ। দেখিবি, জোখাৰে নহলে, চাহাবৰ চৰ্দ্দাৰে শুদাই নেৰে, মোৰ ওচৰত হলে তেতিয়া বেজাৰ নকৰিবিহি। (কচুখোৱালৈ চাই) তই যা, সোণাৰিগাওঁ, ডোমগাওঁ আৰু বহতীয়া গাঁৱৰপৰা খৰি-কাঠ আৰু মাছ-পুঠী জোখাকৈ গোটাই নি সেই সময়তে দিবিগৈ। ময়ো চাহাবক আগবঢ়াই আনিবগৈ লাগিব; যাওঁ, ওলাওঁগৈ। তইঁতেও যা। (ৰত্নেশ্বৰৰ প্ৰস্থান)

ভোগ।—(কচুলৈ চাই) ককাই! আমাৰ বিলাই কি হৈছে নেদেখিছ? ভাল যেনিবা দিঙ্গিত কলহ বান্ধি পানীত পৰিছোঁ, ককাইটি ঐ!

কচু।—এ, বুপাই, আমাকো আভোকৰ ন-মুঠিয়ে ভালকৈয়ে আঁটিছে।

এই বুঢ়াকালত যেনিবা ভাল লটি-ঘটি হৈ মৰিবলৈ কপালত আছিল। কিনো হব কলে, তই অহাৰ অলপৰ আগতে মোকো ভালকৈয়ে থেকেচনি এপালি দি থৈছিল।

ভোগ।—এৰা, ককাই, মই নেভাবি-নিচিন্তি আপোনা-আপুনি আপদ চপাই ললোঁ! হওঁতে, তয়ে হে মোৰ এনে দশা কৰাৰ গুৰি। মোৰ এনে বধৰ ভাগী তয়ে হে হলি ককাই! সেই দিনা যদি তই মোক অইনাইকৈ কুলী ধৰি নিদিলিহেঁতেন, মই নো কেলৈ এই হাড়-মাল চপাই লওঁ!

কচু।—এ, বুপাই, মোক নো কিয় দুষিছ? এতিয়া গাতে নেপাইছ? চৰ্কাৰী কাম নকৰিলেও নহয় দেখি হে টানত পৰি তোকো কুলী ধৰি দিলোঁ। (চাঁত্‌কৰে মনত পৰি) অ, আজি আমাৰ কামৰ ভাৰখন কম নহয় ঔ বুপাই! বল, এতিয়া ঘৰলৈ বল। ভাতমুঠি খায়ে যাওঁগৈ বুপায়! নহলে, গধুলিকৈ ইয়াতকৈও ভাল জলপান আছে। ইখনত্‌কৈ সিখন হে টান হব।

ভোগ।—এৰা, ভাল কৈছ ককাই! যাওঁ, যাবি দেই।

(ভোগমনৰ প্ৰস্থান; টেপেৰাৰ প্ৰৱেশ)

কচু।—অ, টেপেৰা ভাইটি, কলৈ যাৱ?

টেপেৰা।—কলৈ নো যাম, ককাইটি, কুলী ধৰিবলৈ যাওঁ। কাইলৈ পুৱাতে বোলে বৰচেহাৰ আৰু ছোটচেহাৰ মকচললৈ যাব; আজি আবেলিকৈ থেনাত দহোটা কুলী হাজিৰ কৰিবগৈ লাগে। মৌজাৰীয়ে তত্‌ দিয়া নাই। ভাতমুঠি খাই তিতাহাতেই ওলাই আহিছোঁ; মুহুদি কৰিবলৈকে নেপালোঁ। ককাই, বহচোন, গাঁঠিৰ গুৱা অকণকে দেচোন।

কচু।—আও, বহি মৰিব দিছ নে? মৌজাৰীয়ে মোক ৰচত গোটাবলৈ পাচিছে। আজি আবেলিকৈ বৰচেহাৰৰ বাহৰত খৰি, মাছ, পাচলি যোগান দিবগৈ লাগে। কি কৰোঁ, উপায় নাই! ভাতৰ পাতত বহিবলৈকে আজৰি নেপামহে কি জানি। যাওঁ; যা, যা, যা। (দুইৰো দুফালে প্ৰস্থান)।

তৃতীয় পট,—ভোগমনৰ চোতাল।

বংদৈ।—(ভিতৰলৈ চাই আপোনা-আপুনি ৰৌৰৱাই) ভাল যেনিবা কণা-বিধতাই এনে জীয়াতু চাবলৈকে মোক চৰ্জিলে! মই নো কি কৰিম, কলৈ যাম; অকল এজনী মানুহে কেইফালে চাম! মই নো নমৰি কেলৈ জীয়াই আছোঁ কব নোৱাৰোঁ! (ভোগমনৰ প্ৰৱেশ)

ভোগ।—(নিলগতে নিটাল মাৰি শুনি থাকি, আপোনা-আপুনি) হুঁঃ আজি হে আজি! মেঘৰ গাজনি যেনেহে শুনিছোঁ, আজি ভালকৈয়ে বৰষিব! বাটত লগ পোৱা জাকেই গাৰ কাপোৰ-কানি তিয়াই জুকলা কৰি পঠিয়াইছে; এইজাকে এতিয়া কি কৰে গোসাঁয়ে হে জানে। (চাঁত্‌কৰে মনত কৰি) অ, মই কি কৰিছোঁ! সময় যে নাই আৰু। লোকে কচুখোৱা ওলালগৈয়ে চাগৈ। (ফুটাই) হেৰ, শুনিছ নে, কিনো কৰিছ? চাপি আহচোন। দিনটো আৰু তোৰ মুখখন জাপ্ যাব নেপায় নে? থ এতিয়া তোৰ বৰ কনিখন, ভাত হল নে নাই, ক।

বংদৈ।—(খঙেৰে চাপি আহি) থৈছোঁ ৰান্ধি; খোৱাঁহি মাথোন! কেইজনীমান বেটী থৈ গৈছিলি, কৰি-মেলি ৰান্ধি-বাঢ়ি থবলৈ? আমাৰ বিষয়া সিফালে চৰ্কাৰী কামলৈ ওলাই গল, ইফালে পথাৰ চোৱাই পথাৰ চাইছে, বন কৰোঁতাই বন কৰিছে, বন্ধাই ৰান্ধি থৈছে; এতিয়া আহি মুঠেই ভাতৰ পাতত বহিবগৈ হে লাগে!

ভোগ।—(খঙেৰে) হেৰ, তোৰ সেইখন চুপতি এতিয়া থৈ দে বুলি নকৈছোঁ? দুপৰীয়া ভোকত খং তোলাই লোৱাৰ পোটক পাবি দেই এতিয়া! ভাত হল যদি গা ধুই আহোঁমানে বাচুগৈ, যা। মই ৰব নোৱাৰোঁ, ৰবচেহাৰ আহিছে, ৰচত গোটাবলৈ যাব লাগে।

ৰংদৈ।—(হাত-মুখ জোকাৰি) উ-উ, এতিয়াহে তৰিলোঁ! ধান সোপাকে চপাই দিলেহি! সেই হেঁকেৰ-পেঁকেৰ ঢেঁকীটোৰে—ছোৱালীটীৰ হাতখনো খুন্দিলোঁ!—চাউলকেটা কাঁৰি লৈ বহাবলৈ ওলাইছোঁ, এনেতে সিকালে ভেদুৰীৰ মাকে চিঁয়ৰি কলে, বোলে, দেখৰ উদঙ্গীয়া গৰুৱে ধানডৰা খাই ঢুকুৰায় এতিয়া! তেতিয়াৰেপৰা এইখিনি পৰলৈকে নৰাণিয়ে-নৰাণিয়ে গৰু খেদি ফুৰোঁতেই হাইৰাণ হলোঁ! এতিয়া মুঠে জেং-খাৰি লুৰি আনি, গাটো ধুই আহি, আখাত জুই দিছোঁগৈ, আমাৰ ৰচত তুলিবলৈ যোৱা বিষয়া পালেহিয়েই!

ভোগ।—অ, আখাত এতিয়া জুই হে দিহ! তেনেহলে আৰু আমাৰ ভাত খোৱা হৈছে! বেলি ভাটী দিয়াতে ৰচত-পাতি নি যোগাবগৈ লাগে বুলি হাকিমে কৈছে; এতিয়া দুপৰ ভাটী দিলেই, এই অলপ সময়ৰ ভিতৰত নো কেনেকৈ কি কৰোঁগৈ নিকপায়! মই যাওঁৰেই তেন্তে; গা নোধোওঁ আৰু।

ৰংদৈ।—(মনৰ খং মনতে মাৰ নিয়াই কোমলকৈ) ভাত কেটা সিজোঁতে নো কিমান পৰ লাগিছে। উতলিছেই, লগতে হব। শুদাই-নিকাই এমুঠি খাই যাইক। মই যাওঁ, খৰধৰ কৰোঁগৈ। (বেগেৰে ভিতৰলৈ গৈ, বাপেকক ভুলাই ৰাখিবলৈ জেতুকীক পঠিয়াই দিয়ে গৈ)।

ভোগ।—কি কৰোঁ এতিয়া! (নিটাল মাৰি ভাবে; জেতুকীৰ প্ৰৱেশ)।

জেতুকী।—(ঢেঁকীয়ে খুন্দা হাতখন দেখুৱাই কান্দি কান্দি) বুপাই! চাচোন আয়ে আজি মোৰ হাতখন কেনেকৈ খুন্দিলে!

ভোগ।—চাওঁ, মোৰ আইক ক'ত খুন্দিলে চাওঁ; (জেতুকীৰ হাত চাই) দেহি ঐ, মোৰ আইক কেনেকৈ খুন্দিলে! কেলৈ নো গৈছিলি?

জেতুকী।—আয়ে আকৌ বোলে চাউল কেটা কাঁৰি লওঁ, বঢ়াই দেহি। বঢ়াই থাকোঁতে এবেলি হাততে থোৰাটো পৰিল!

ভোগ।—দোহ ঐ, মই নো কি ভাত খাবলৈ আহিছোঁ ঐ! হে হৰি! কি কৰিম! সিফালে বেলিও হল, ইথনতকৈ সিখন হে টান হব পিচে; যাওঁ।

(জেতুকীক চুমা দি, বেজাৰমনেৰে প্ৰস্থান)

জেতুকী।—(পিচৰপৰা) বুপাই, মেলৈ পকা পনীয়াল আনিবি দেই।

ৰংদৈ।—(ওলাই আহি) হেৰ, বাপেৰ গলেই নে কি? কিমান পালেগৈ?

জেতুকী।—ওঁ, বেলি হল বুলি গলগৈ তো। বেগাই গৈছে।

ৰংদৈ।—হেঁই আঁকৰীজনি! নেযাবি বুলি কবও নোৱাৰিলি! (বহি, কপালত হাত দি) ভাল হল এতিয়া, দিনটো শুকাই-উবাই মৰকগৈ আজি! ৰাতিপুৱাৰেপৰা ঘূৰি ফুৰি ঘৰ ওলাইছিলহি, আকৌ বাহী গাৰেই যাব লগা হল! দেহি ঐ, দুপৰীয়া আহি পাওঁতেই মই কূলৈখনীয়ে নো জুয়ে ধৰাদি কিয় ধৰিছিলোঁ ঐ! খায় ধান খাব পায়, মই নো কেলৈ গৈছিলোঁ কব নোৱাৰোঁ! থক, আমিও নেখাওঁ, ভোকতে মৰোঁ! (মুখত ৰিহাৰ আঁচল দি কান্দে; জেতুকীয়েও মাকৰ ডিঙ্গিত ধৰি কান্দিবলৈ ধৰে)।



৪র্থ অঙ্ক।

প্ৰথম পট,—মৰিয়াগাওঁ।

(ভোগমনে হাজত নামেৰে মৰিয়া-লৰা এটা লগত লৈ ৰচদ বিচাৰি ফুৰে)

ভোগ।—হেৰ কটা, তইঁতৰ গাঁৱৰ কাৰ কাৰ ঘৰত কুকুৰা আৰু কণী সৰহকৈ আছে? কচোন।

হাজত।—এ, আমাৰ গাঁৱত খৰহকৈ কাৰো ঘৰত নাই দেও। খৌ ভেলেউ আৰু বিলত এইঁতিৰ ঘৰতে দহোটামান দেখিছোঁ; আৰু পেজানৰ ঘৰত হলে মই ৰাতি খুবলৈ যাওঁতে, তাৰ কুকুৰা দুজনীয়ে কণী পৰা দেখিছিলোঁ।

ভোগ।—বাৰু, আহ, আগেয়ে ভেলেউ আৰু বিলতৰ ঘৰ হৈয়ে যাওঁ। মই ধৰ বুলিলেই তই ধৰি লবি দেই; তই কাৰো কথালৈ কাণ নিদিবি।

হাজত।—উঃ, মই নোৱাৰোঁ দেও, ভেলেউ মানুহ ভাল নহয়, তাই গালি খপিব দেও।

ভোগ।—বাৰু, মই আছোঁ, তই ভয় নকৰিবি, গালি পাবে, যি কৰে, মোক কৰিব; তোক কোনেও একো কৰিব নোৱাৰে। (ভেলেউৰ দুৱাৰ-মুখতে কুকুৰা এজনী দেখা পাই) হেৰ, ধৰ ধৰ, সেইজনী ধৰি ল। (লৰাটোৱে লাহে লাহে গৈ ধৰিলত কুকুৰাজনী চিয়ঁৰি উঠে)।

ভেলেউ।—(ওলাই আহি) ছুহ্, ছুহ্, কিহে নো ধৰিলেও মোৰ কুকুৰাজনী! (মৰিয়া লৰাটোলৈ চাই) অ, খোদাই! ভালেটি হে, এই খিয়াল্‌টোৱে

ধৰিছেহি। হেৰ, খুলমুৰা, কেলেই ধৰিছ মোৰ কুকুৰাজনী? বাপেৰৰ বৰঘৰ পাইছহি নে কি? বন্দি, ভিকহুৰ পো!

ভোগ।—ময়ে ধৰাইছোঁ। আজি বৰচেহাব পাবহি, ৰচত তুলিব লাগে। হেৰ, ভেলেউ, কণী আছে যদি গোটাচেৰেক আনগৈ যাচোন।

ভেলেউ।—এঃ, নেদেখিছা দেহি! এইটোৰে ৰচতলৈ মোৰ কুকুৰাজনী হে পাইছেহি! চাওঁ, এৰি দে। (কাঢ়ি আনিবলৈ আগ বাঢ়ে)।

ভোগ।—হেৰ, এইটো-সেইটো নকৰিবি দেই, ধুন্ দেখুৱাম পাচে।

ভেলেউ।—ইঃ, এইটো বুলিলত নাকতিটো খৰি পৰিল দেহি! মৰিয়াৰ পঁইতা খোৱা পো, চেহাব বাপেৰক ৰচত লাগে যদি, খৰহকৈ থকা কেবৰলৈ নেযাৱ কিয়? বাঁৰী-দুখুনীৰ ঘৰত হে তোৰ চকু পৰে?

ভোগ।—হেৰ ভেলেউ, তই মুখ চম্ভালি কথা কবি দেই। ইয়াৰপৰা তোৰ বেয়া হব, জানিবি। মই আজি গৈয়ে মৌজাদাৰ হাকিমক এইবোৰ বেপট কৰিম গৈ, ৰবি।

ভেলেউ।—ওঁ, খোদাই! এতিয়া হে মৰিলোঁ! পলাবলৈ কেঁকোৰা-গাঁত এটাকে বিচাৰিব লাগিল! কবিগৈ যা, মৌজাৰীয়ে মোৰ কাণ দুখন কাটিব, তালৈকে মই ভয় কৰিছোঁ!

ভোগ।—(মৰিয়া লৰাটোক) হেৰ, বল, আমি যাওঁ। মৰিয়ানীৰে সৈতে কোনে চুপতি কৰি থাকে। আমাৰ কাম কৰি ললোঁ; তাই এতিয়া বকি থাওক।

হাজত।—(বিলতৰ কমাৰশালৈ আঙুলিয়াই) চোৱাচোন্ খৌ কেটা কেনেকৈ খুই আছে! ধৰিবলৈ বৰ ভাল হৈছে। যাম নে? ধৰিমগৈ নে?

ভোগ।—ওঁ, সুধিব লাগিছে নে? যা, যা, ধৰগৈ। মনে মনে যাবি।

হাজত।—(লাহে লাহে গৈ দুহাতে দুটা ধৰি লয়) হেৰা, খৌটো বিলত আহিছে! আপুনি আগ বাঢ়াঁ। মোক খপিবহি এতিয়া!

বিলত।—(ভিতৰৰপৰা খঙেৰে আহি) হেৰ, এইকিটা ক'ৰ কুকুৰা ধৰা খিয়াল আহিলহঁতওঁ! হাঁহৰ পেটু-চোঁচা হেঁতু, বিখয় খাইছ, ৰচত যোগাব লাগে যদি, ঘৰতে কুকুৰা পুহি নলৰ কিয় ? দুখীয়া মানুহক কেলেই এইদৰে অইনাই কৰি ফুৰ ?

ভোগ।—হেৰ, শুকান-খোৱা মৰিয়া! বৰকৈ টপ্‌টপাৰ দেখোন। হাকিমৰ হুকুম মতে হে আহিছোঁ, সেইটো মনত ৰাখিবি। সিবাৰ গফুৰ মৰিয়াৰ এনে কথাৰ মূৰত কি দশা হৈছিল মনত আছে নে ?

বিলত।—(সেও হৈ) এৰা, বুৰাই! তহঁতে আৰু দুৰৈলৈ যাব নোৱাৰ, দুখীয়া বুঢ়াৰ হে দুটাকৈ কুকুৰা ধৰিবলৈ পালি হি! বাৰু যা, আমি মৰা মৰোঁ, হাকিমেই বিখই খাই তৰক। (ভিতৰলৈ বেজাৰমনেৰে সোমাই যায়)।

ভোগ।—(মৰিয়া লৰাটোলৈ চাই) হেৰ, কুকুৰা যেনিবা তিনটা পোৱা হল, কণী হে নেপালোঁ। সঁচা কথা কলে কোনেও নিদিয়ে; সেই দেখি, পোনেই কিনিবলৈ আহিছোঁ বুলি কম। তাৰ পাচে, কণী হাত কৰি ললে, আন উপায় পোৱা যাব।

হাজত।—বাৰু, আপুনি যি বুধি কৰিবা, ময়ো তাকে কৰিম।

ভোগ।—(পেজানৰ দুৱাৰমুখত) হেৰ, পেজান ঘৰত আছ নে ? ওলাই আহচোন।

পেজান।—(ওলাই আহি) কোন্ ? অ, আমাৰ গাওঁবুঢ়া দেওঁ। কিবা হল ?

ভোগ।—হেৰ, তোৰ ঘৰত বোলে কুকুৰা-কণী আছে; মোক সিকি এটামানৰ দেচোন। আমাৰ চেহাবক লাগে বোলে।

পেজান।—বাৰু, আপুনি অখন্তক থিয় হোৱাঁ; মই আনোগৈ। (প্ৰস্থান) (ভোগমনে জোমাজুমিকৈ থাকোঁতেই কণী লৈ পেজানৰ পুনঃ প্ৰৱেশ)

ভোগ।—কিমান আনিছ ?

পেজান।—খোলটা আনিছোঁ; আনক হলে তিনি পইচাৰৰ ভুটাকৈহে দিওঁ। তোমাক বুলি হে গোটে পইচাকৈ দিছোঁ।

ভোগ।—বাৰু, হেৰ লৰা, কণীকেইটা বান্ধি লচোন। (মৰিয়া লৰাই কাপোৰৰ আগত কণী বান্ধি লয়; আৰু ভুয়ো আহিবলৈ ধৰে)।

পেজান।—(আগচি ধৰি) ক'তা, আপুনি পইচা নিদিলাচোন?

ভোগ।—(হাঁহি মাৰি) হেৰ, এইবোৰ ৰচত হে গোটাইছোঁ। মৌজাদাৰ হাকিমৰ হকুম। বৰচেহাব আহিছে।

পেজান।—(মনটো আমোলাই) এহ্, এইবোৰ আৰু বৰ অখহনি কথা! ভুখীয়া মানুহ, কণীগাল বেচিয়ে চুৰিয়া এডোখৰ লম বুলিছিলোঁ! এতিয়া খিকেটা বেচি নো কি পাম, মুজুৰিব!

ভোগ।—অ, আৰু আছে যদি, আন চাইটামান; এবুৰি তেও পূৰা হওক।

পেজান।—এ, নাই দেওঁ, যোৱাঁ, যোৱাঁ। এ খোদাই! এনেকুৱা অধৰম হলে আৰু কেনেকৈ তৰিম! (উচাৎ মাৰি গুচি যায়)

ভোগ।—(দীঘলকৈ হামি এটা মাৰি) বাধে, বাধে, বাধে! গাটো ৰাঁই-জাঁই কৰি আহিছে ঐ! লঘোনীয়া গা!

হাজত।—কি হল? গা বেয়া কৰিছে নে? মোৰো ভোক লাগিছে। আপুনি মোক এৰি দিয়া দেওঁ।

ভোগ।—হেৰ, মই আজি গাকে ধোৱা নাই! তই দিনটো হাঁহ-কুকুৰাৰ দৰে খাই থাকিও এতিয়া কেঁকাইছ নে?

হাজত।—হয়, হয়, আপুনি এখাজি নমৰাকৈ আহিছা? মিছা নকৰা হে।

ভোগ।—এৰা, নপতিয়াবি তো; মোৰ ভুখ নো কোনে পতিয়াব! বল, বল, একেবাৰে আৰ্দ্দলিৰ হাতত দি আহোঁগৈ বুপাই। নিচেই তাকৰ হে হল, কি কৰে আজি ঠিক নাই। (প্ৰস্থান)

দ্বিতীয় পট,—চৰ্কাৰী আলহী-বঙলা।

(খানচামা, চৰ্দ্দাৰ, আৰ্দ্দলি এইবিলাকে বৰচাহাবৰ
মাল-বস্তুৰ দিহা লগাইছে)

খানচামা।—(চৰ্দ্দাৰ জি, আভিতক বচদ নাহি মিলাহেঁই ; ক্যা কৰেঙ্গে ? টিফিন্‌কোৰাষ্টে কয়ঠো আণ্ডা মিল্‌নেচে ভি হোতা হ্যাই।

চৰ্দ্দাৰ।—হ্যাঁ, আভিতক কুচ্‌ নাহি আয়া ; একঠো আড়্‌মি ঠোৰা লাকৃৰি বাথ্‌কে চলাগিয়া হ্যাই। (আৰ্দ্দলিলৈ চাই) দেখ আৰ্দ্দলি, তোম্‌ ইধাৰ-উধাৰ হোকে দেখতো কোই আতাহেই কি নাহি।

আৰ্দ্দলি।—অ, বহ, বহ, ঐ দুইটা আড়্‌মি আহ্‌তা হে। তাঁহাতৰ হাতমে কিবাকিবি আন্‌টাহেই।

(বচদে সৈতে ভোগমনৰ প্ৰৱেশ আৰু বচদৰ
ভাৰখন থৈ মৰিয়া লবাৰ প্ৰস্থান)

খানচামা।—তোম্‌ কি কি আনিছে ? আচ্ছা, আমি দেখিবে।

ভোগ।—এ, কিনো চাবা, নেপালোঁৱেই দেও ; কুকুৰা তিনটা আৰু কণী ষোলটা মাথোন পাই লৈ আহিছোঁ।

খান।—(আৰ্দ্দলিলৈ চাই) অঃ, ইস্মে ক্যা হগা ! আভি টিফিনমে দেকে, হামলোক খানেছে, ফজৰমে ছোটা হাজিৰিকোৰাষ্টে আণ্ডা নাহি হোগা। তব্‌ ক্যা হোগা ?

আৰ্দ্দলি।—(খঙেৰে) হেৰ গাধ, ইমান দিনে ইস্মাকে গোটাই ৰাখিছিলি

নে ? চুয়ঁৰ বদ্‌মাছ ! মই জানিছোঁ, এইবোৰ তহঁতৰে ফাঁকতি। পাচত বেচি খাবলৈ কৰবাত লুকুৱাই থৈ আহিছ, নহয় নে ?

ভোগ।—এ, দেও হে, তুমি অসমীয়া মানুহ হৈয়ো এনে কথা কিয় কোৱাঁ ? আজি দুপৰীয়া মাথোন মৌজাদাৰে ৰচতৰ কথা কৈছে। ময়ো দিনটো বিচাৰি এই কেটা হে পালোঁগৈ।

আৰ্দ্দলি।—দগাবাজ ! এতিয়াই কলি, বোলে, দুপৰীয়া হে খবৰ পাইছ, আকৌ নো দিনটো কেনেকৈ বিচাৰিলি ? মই জানোঁ, এইবোৰ চব তহঁতৰ ফাঁকতি। বাৰু, এতিয়াই মই তাৰ পোটক দিম, অলপ ৰবি।

ভোগ।—(কাওঁবাওঁকৈ) হেৰা দেও ! কেলৈ নো এইখন কৰাঁ। মই শপত খাই কৈছোঁ, ইয়াতকৈ আৰু আজি সৰহ গোটাব পৰা নাই।

আৰ্দ্দলি।—চুপ্, চেলা হেৰামজাত ! এতিয়াই মই তোক চেহাবৰ ওচৰত হাজিৰ কৰি দিম নি। (অলপ লাহেকৈ) বাৰু, কুকুৰা আনিছ চেহাব আৰু মছলমানকেটালৈ ; আমালৈ কি আনিছ ? তই কুকুৰা খাৰ হবলা ? নেজান নে চেহাবৰ লগত হিন্দু মানুহো আছে ?

চৰ্দ্দাৰ।—চুৱাৰকা বাচ্ছা, হামিভি জানিছে তুমি বৰা পাঁজি আড়ুমি আছে। আচ্ছা, হামি হিন্দুলোক খাবলৈ কি আনিছে ?

ভোগ।—এহ্, তোমোলাকে ভাল কব পাৰাইঁকদেও ! হাকিমে যাক যি কাম বটাই দিছে, আমি তাকে হে কৰিব পাৰোঁ। মোক মৰিয়া গাঁৱৰপৰা কুকুৰা আৰু কণী বিচাৰি আনিবলৈ হে হুকুম কৰিছিল।

আৰ্দ্দলি।—কোন্ তোৰ হাকিম অ ? কোনে তোক এনে হুকুম দিছিল ? তই মৰিয়া নে কি,তোক যে কুকুৰালৈ হে পঠাইছিল ? বাৰু, আজি সেই কুকুৰা আৰু কণী তোকে খুৱাম, ৰ। (চৰ্দ্দাৰলৈ চকুটিপ্ মাৰি) চৰ্দ্দাৰ, ধৰও, ইস্কু খানচামাৰ পাচ লৈ যাইগা ; হুঁৱা ইস্কু কুকুৰা কণী খিলাই দেগা (দুয়ো ভিতৰলৈ নিয়াৰ ভাবুকি দেখুৱাই ভোগমনক টনাটোঁহা কৰে)।

ভোগ।—(কাওঁবাওঁকৈ) হেৰ, বধ লাগে দেউতাটি সকল ঐ! কাৰৌটি কৰিছোঁ, মোক এৰি দিয়াইঁকক ঐ। হেৰা, মোৰ ঈশ্বৰইঁত, দিনটে ভাত-পানী নাই, গা আচন্দ্ৰাই কৰি আছে; আৰু টনাটনিকৈ মোক নবধিবাইঁকওঁ!

আৰ্দ্দলি।—এতিয়া আৰু দেউতা-বিধতা কৰিলে এৰণ নাই। ব'ল, চেলা, ব'ল (দুয়ো টানি অলপ বাট লৈ যায়)।

ভোগ।—(বৰকৈ চিয়ঁৰি) ঔ, সঁচাকৈয়ে নিয়ে দেখোন ঔ! হেৰৌ, মহাৰাণীৰ দোহাই! দেউতাসকলওঁ! এনে কথা ক'ত দেখিছ বোপাইঁত ঔ! ইঁত মানুহ নহয়, যমদূত ঔ! (গোলমাল শুনি বৰচাহাব ওলাই আহে)

বৰ চাঃ।—ইয়াটে কোন্ মানুহ হালা কৰিছে?

আৰ্দ্দলি।—হজুৰ, এই মানুহটোৱে।

ভোগ।—(কঁপি কঁপি) হজুৰ, হজুৰ খোদাবেণ্ডা, গৰিবৰ মা-বাপ!

বঃ চাঃ।—টুমি হাই কৰিছে? টোমাৰ কি হৈছে? কব লাগে, আমি ডেকিব কোন্ আড্মি টোমাকে জুলুম কৰিছে।

ভোগ।—হজুৰ, একো হোৱা নাই। গোলামৰ একো হোৱা নাই। এই কেইটাই হে—

আৰ্দ্দলি।—হজুৰ, এইটো বৰা লাঠুৱা মানুহ আছে। ই নতুনকৈ গাওঁ-বুঢ়া হৈছে; আমি সিবছৰত আহোঁতে শুনি গৈছোঁ। ই আজি দিনটো হজুৰৰ নাম কৰি ৰায়তৰপৰা ৰচত গোটাই তাৰ ঘৰত লুকুৱাই থৈ আহি, ইয়াত মুঠে কুকুৰা এটা আৰু কণী চাইটা উলিয়াইছেহি।

বঃ চাঃ।—(চকু পকাই ভোগমনক) টুমি টিক্ ৰচত লুকাই ৰাকিছে? টেনেহলে মই টোমাক ফাটক ডিবে। টুমি টিক্ টিক্ কঠা কব লাগে।

ভোগ।—(ভয়ত চুৰ্ত্তি হেৰুৱাই) হজুৰ, গোলামৰ অপৰাধ খেমা কৰক। মোক এৰি দিয়ক, মই ৰাতিয়েই আৰু ৰচত বিচাৰি আনি হজুৰত শোধাই দি ৰামহি।

আৰ্দ্দলি।—সেয়া, শুনক হজুৰ, সি নিজেই দোষ স্বীকাৰ কৰিছে; আৰু, সি ঘৰত লুকুৱাই থৈ নাহিলে নো ৰাতিয়েই ৰচত দি যামহি বুলিবলৈ সাহ কৰে নে?

বঃ চাঃ।—হামি জানিছে, টুমি টিক্ ৰচদ্ লুকাই ৰাকিছে। টুমি বড়া লাটুৱা মানুহ টাকিছে। আচ্ছা, মৌজ্‌দাৰ বেটিয়া আহিবে, আমি টেটিয়া হুদিবে। হেইটো কঠা ঠিক হলে হামি টোমাকে ফাটক দিবে।

ভোগ।—(আতুৰ ভাৱে) হজুৰ, গোলাম, গৰিপ, মা-বাপ। মাৰেও মাৰক, কাটেও কাটক। মই হলে, অলপো মিছা ফাঁকি দিয়া নাই। দেহিঐ, তেনে কৰিব পৰাহেঁতেন দেখোন, মোৰ এনে দশা নহয়েই!

বঃ চাঃ।—টুমি কি কৈছে?

ভোগ।—হজুৰ, সঁচা কথাকে কৈছোঁ। বোলোঁ, গোলাম হজুৰক মই একো ফাঁকি-ফুকা দিয়া নাই। আৰু তেনে অইনাই কৰিব পৰা হলে মোৰ ইমান-দুখ নহলহেঁতেন। ইমান দিনে বৰমানুহ হলোঁহেঁতেন।

বঃ চাঃ।—(খঙেৰে) কি! অইনাই কৰিলে বড়া মানুহ হয়,—হুক্ ফায়! টুমি বড়া লাটুৱা আছে, মই বুজিলে। আচ্ছা, টুমি দুক্ পালে এইঠো কাম কেলে কৰি টাকিছে?

ভোগ।—(কাওঁৰাওঁকৈ) হজুৰ, হজুৰ গোলামে কব নোৱাৰে।

বঃ চাঃ।—(হাঁহি হাঁহি) এটিয়া কেলে কব পাৰিবে! হামি জানিছে, লাব নাই টাকিলে টুমি এইঠো কাম কেলে কৰিবে? তুমি ৰায়তপৰা ঘুচ্ খাবলে গাওঁবুঢ়া হৈছে?

ভোগ।—(ঘোচা থোৱা অৰ্থ বুজি) হয়, হজুৰ, ঢেৰ খাইছোঁ। আমাৰ কপালে কৰিছে! কি কৰিম?

বঃ চাঃ।—ঠিক কঠা। এই চব মৌজদাৰকে হামি হুদিবে। আভি টুমি যাব ফাৰে। (চাহাবৰ প্ৰস্থান)

ভোগ।—(মূৰ মোহাৰি মোহাৰি) ৰইখা পৰিলোঁ, দেউতা! এতিয়া হে মোৰ জীৱ আহিছে!

আৰ্দ্দলি।—বাৰু, ৰইখা পোৱান ৰবি। (পৰি থকা গোটাখৰি এডাললৈ দেখাই) এই গোটা কাঠ খৰি দিবলৈ তহঁতক কোনে শিকাইছিল? এতিয়াই ফালি দে, চেলা, পাঁজি। (হেঁচুকি নিয়ে)

ভোগ।—হেনা, খৰি গোটোৱাৰ বাব মোৰ গাত নাছিল। বোলোঁ, গোটা খৰি মই দিয়াহি নাই, জানিছা নে? মোক এনেখন কিয় কৰিছাহঁক!

চৰ্দ্দাৰ।—(ভোগমনৰ কাণত ধৰি) আও, শ্যালা, পাজি, বক্ বক্ নাই কৰিবি। আভি লাকৃৰি ফাৰি দিব লাগে।

ভোগ।—হেৰ, মোৰ ঈশ্বৰহঁত! মই কাবৌ কৰি মাতিছাঁ, মোক এৰি দে হঁক। লঘোনীয়া গা এনেই অথিৰ হব লাগিছে, টনা-আজোৰা কৰিলে মোৰ জীৱই যাব এতিয়া! মোক এৰি দিয়াহঁক আজিলৈ; মই সঁচাকৈ কৈছোঁ, কাইলৈ তোমোলাকলৈকো বেলেগে হাঁহকণী লৈ আহিম।

আৰ্দ্দলি।—আচ্ছা ভাই, উচ্‌কো আভি ছাৰি দেও। কালি নাই আনেগা তো ফেৰ দেখেগা। (চৰ্দ্দাৰে এৰি দিয়ে)

ভোগ।—ভাল, মই যাওঁ এতিয়া, কাইলৈ পুৱাতে ওলামহি। কি বোলাঁ?

চৰ্দ্দাৰ।—আচ্ছা, আভি যাও।

(ভোগমনৰ বেগেৰে প্ৰস্থান)

আৰ্দ্দলি।—দোচোৰাঠো গাওঁবুঢ়াক ভি এই মাফিক কৰেগা দেই। ইচ্‌ৰকম নাই কৰিলে চেলালোক কুছু নাই দেগা। তোম্ জান্তা?

চৰ্দ্দাৰ।—হ্যাঁ, হ্যাঁ, হাম আভি চমজ্ গিয়াহাই। হাম্‌ভি বৰাবৰ ইস্মাফিক্ কৰেগা। (দুইৰো প্ৰস্থান)

তৃতীয় পট,—ৰত্নেশ্বৰৰ চৰা।

(ৰত্নেশ্বৰ, কচুখোৱা, আৰু কেৰ্‌পাই)

ৰত্ন।—তহঁতৰ গাফিলিতে মোৰ ফালে আৰু আধ্যা পৰিবগৈ যেন হে দেখিছোঁ। মই ইমান দঢ়াই দঢ়াই কৈ আছিলোঁ, বোলোঁ, সময়ত খাজনা শোধাব নোৱাৰিলে মোৰ গাৰ ফালে টান পৰিবগৈ। কিন্তু, 'কাৰ ভাগিন মৰে, কাৰ হয় হানি'! মোৰ বিপদ মিলিলে, তহঁতৰ কি হব? কালি ৫৲ পাঁচ টকীয়া সুদেৰে দুহেজাৰ টকা ধাৰ কৰি হে এই কিস্তিৰ কেঠাটো মাৰিছোঁ; তহঁতৰ সেই বাবে কি হব? তহঁতে মাথোন গাঁৱে গাঁৱে মেল পাতি ফুৰিবলৈ পালেই হল।

কেৰ্‌পাই।—দেউতাই আমাৰ ওপৰত আৰু কেতিয়াও চোভা নেৰে! গাফিলিকে কৰিছোঁ নে মেল পাতিয়ে ফুৰিছোঁ, নেদেখা জনে দেখি আছে নহয়; আৰু দেউতাই যাকে সোধে সেয়ে কব।

ৰত্ন।—থ, থ, তোৰ সাদৰী কথাখন! মই তহঁতৰ আটাইকেইওটাকে হাড়লৈকে চিনিছোঁ; তহঁতে মুখতে আটাইখিনি কৰ, কামৰ ফালে কিন্তু একো নাই। তহঁতে যে বহি নাথাক, বাৰু, কচোন, মই ওলাই গলে যে লগতে মানুহ আহি চৰাবৰ ভৰি পৰেহি, তহঁতে গলে নো কিয় বাটলৈ চাওঁতে আমনি লাগে? যদি ৰায়ত বলাবৈ নোৱাৰ, তেন্তে গাওঁবুঢ়া হবলৈ বিচাৰিছিলি কিয়? মই পূৰ্ব্বতে নকৈছিলোঁ, বোলোঁ, এতিয়া বিষয় পাবলৈ খাটি ফুৰিছ হয়, পাচে হে তাৰ পৰিমাণ বুজিবি। বিষয়া বুলিলেই, বিষয় চাই, দুখ আছেই; এতিয়া কেঁকাই দেখুৱালে কোনে শুদাই এৰিব?

(ভোগমনৰ প্ৰৱেশ)

কচু।—ভাল কৈছে দেউতা, আগেয়ে নেভাবি-নিচিন্তি এই হাড়-মাল চপাই লৈছিলোঁ দেখি তো এতিয়া তাৰ পোটক পাইছোঁ। নহলে নো ঘৰে-পৰে আমাৰ শান্তি নোহোৱা হয় নে?

ভোগ।—সঁচা কৈছা, মোৰ ককাইটি! সেই পাকত হলে মোৰ জীৱনত সকাম নাইকিয়াই হল। সিদিনা লঘোনে-ভোকে—

ৰত্ন।—(খঙেৰে) হেৰ, কপটীয়া ফাঁকিদাৰহঁত, তহঁতৰ দুখ-বেজাৰৰ টোপোলা মোক মেলি দেখাব নালাগে। তহঁতক মোৰ লেঠাৰ কথা বুজাই কৈ কাম কৰিবলৈ কম, তহঁতে মোৰ আগত নিজৰ দুখ-বেজাৰ কৰি দেখাবি! এই দৰে থাকিলেই আমাৰ কাম সিজিব নহয়? এতিয়া আৰু সেইবোৰ থৈ দে; লোকৰ খাজনা গোটাই দি আমাক যি চহকী কৰিছহঁক, সেইটো তহঁতেই বুজিছ; এতিয়া নিজৰ নিজৰ খাজনা দিবহি লাগে। ৰজাৰ খাজনা নিদিলে নহয় বুলি নাজান হবলা? নাই, মোৰ বৰপেৰা ভৰাবলৈ দিব লাগে?

কেৰপাই।—সেইটো নো কেলেই কব লাগিছে দেউতা! ৰজাৰ খেজেনা, গুৰুৰ কৰ, এইবোৰ বছৰি শোধাব লগীয়া বাব, দিবই লাগিব। ময়ো বছৰি দিয়ে আছোঁ, ঘৰত পয়মাল হোৱাত হে এই বেলি পলম হৈছে; কাইলৈমানে দি যামহি। নিদিলে হব নে?

কচু।—দেউতা, মোৰ ঘৰত এইবেলি বৰ পয়মাল! সাইধতে আগকিস্তিৰ খিনিকে দিমহি, বাকীখিনিৰ নিমিত্তে দেউতাই অলপ দিন দিব।

ভোগ।—(ইফাল-সিফাল কৰি) দেউতা-ঈশ্বৰ, মই হলে নিচেই নিচলা। সিহঁতৰ তেও ঘৰত দুটা-চাইটা কৰোঁতাই আছে। মোৰ হে—

ৰত্ন।—(খঙেৰে) নিচলা বুলিলেই গা জুৰাব নহয়? মোৰ মৌজাত যিমান দুখীয়া-নিচলা আছে, তেন্তে সকলোকে মাফ দি মই চাপৰি ধৰোঁ! তই তো কটা, গাওঁবুঢ়া হবৰ দিনৰেপৰা দুবছৰৰ খাজনা মুঠেই পইচা এটাকে দিয়া নাই। এইবাৰ আৰু মই মুখলৈ নাচাওঁ।

ভোগ।—(কাওঁবাওঁকৈ) দেউতাই মাৰে, তাৰে, সেইটো দেউতাৰ ইছা। কিন্তু, বন্দীক অলপ কিৰ্‌পা কৰিব লাগে। চৰ্কাৰী কামত ফুৰোঁতেই কোনো ফালৰ পৰা যোগাৰ কৰিব নোৱাৰিলোঁ; মই নিচলাই দুৰ্ব্বৰ কেনেকৈ দিম? সিবছৰৰে এধামান পাওঁ নে কি বিচাৰি চাওঁ গৈ।

ৰত্ন।—(খঙত গোৰোহনি মাৰি) মই তহঁতক জীয়াই, নিজে মৰিব নোৱাৰোঁ। আজিক এৰি তিনদিন সময় দিছোঁ, ইয়াৰ ভিতৰত খাজনা আদায় কৰি নিদিলেহি সত্যে কৈছোঁ, ঘৰ-ক্রোক কৰাম। তহঁতে দেখোন লাই পাই দাঁত মেলি দেখুৱাৰ। খৰমেৰে মুৰ ভাঙিব দিছ নে কটাইঁত!

(মাৰে-মাৰে যেন দেখি গাওঁবুঢ়া তিনিওৰো বেগেৰে প্রস্থান)

(খন্তেক নিটাল মাৰি বৈ মৌজাদাৰৰো প্রস্থান)

৫। অঙ্ক।

প্ৰথম পট,—ভোগমনৰ মাৰল-ঘৰ।

(ভোগমন, ৰংদৈ আৰু জেতুকী)।

(জেতুকীয়ে ফটাকানিৰ দৰা-কন্যা সাজি উমলি আছে)।

ৰংদৈ।—এতিয়া আৰু ঘুমনি ধৰি বহি থাকিলেই হব নে? কি পাৰ এটা উপায় কৰ্‌হঁক। আজি নাজিবৰ টেকেলা ঘৰ-কুৰুক্ কৰিবলৈ ওলাবহি নহয়?

ভোগ।—(হুমুনিয়া কাঢ়ি) এৰা ওলাবহি। ওলায়হি হে লাগে; মই আহোঁতেই শিৱলাল কেঞাৰ গোলাৰ আগত লগ পাই আহিছোঁ। কিন্তু কি কৰিম, নিৰুপায় হলোঁ!

ৰংদৈ।—কিয়, বৰ কাপোৰখন বেচিও নো এটা কিস্তিমানৰে জোৰা মাৰিব নোৱাৰিলিনেহঁক?

ভোগ।—এটা কিস্তিৰ দিহা কৰিলে কি হব? মৌজাদাৰে দুয়ো বছৰৰ চাৰি কিস্তিৰ কুৰুকি একেলগে দিছে। ইফালে টানত পৰিলে কেঞা-বেপাৰীয়েও কাপোৰ-কানি কিনোতে এধামুলীকৈ লব খোজে। এতিয়া আকৌ খেজেনাৰ টানত পৰি যেয়ে-সেয়ে কাপোৰ এধামুলীকৈয়ে বেচিছে। মোৰ আগতে কচুখোৱাই দুখন বেচি হে এটা কিস্তিৰ জোখাৰে ১৩৲ তেৰে টকা ৰুপ লৈ গৈছে। আমাৰ সেই একেডোখৰ বৰকাপোৰ; তাকে লৈ গলোঁ, ৭৲ সাত টকাতকৈ সৰহ দিবলৈ কোনো নোলাল দেখি ওলটাই লৈ আহিলোঁ।

ৰংদৈ।—তেন্তে নো কি উপায় হব এতিয়া?

ভোগ।—উপায় আৰু কি আছে? লাম্‌লাকতি যি কেডোখৰ আছে, তাকে কুৰুক্ কৰি লৈ যাবহি। টেকেলা আহিলে, তামোল-পাণ এটা দি ধৰি চাম; সি মৰম কৰিলে অলপ কিবাকিবি এৰি গলেও যাব পাৰে।

ৰংদৈ।—টেকেলাই যিখন মৰম কৰিব, আমি পাইছোঁ! সেই দেখি মই আগধৰি মোৰ কেৰুযোৰ আৰু মৰ্ণিথোকা পিন্ধিয়ে আছোঁ; আইটীৰ মণিধাৰো পিন্ধাই থৈছোঁ। কবৰ শুনিছোঁ, বোলে, চৰ্কাৰৰ ঘৰৰপৰা কুৰুক্ কৰিলেও হাতৰ-কাণৰ খহাই নিবৰ আয়ণ নাই।

ভোগ।—জানো, সেইবোৰ মই বুজি নেপাওঁ! কিন্তু, মোৰ মনেৰে তইঁতক পিন্ধি-উৰি থকা দেখিলে, টেকেলাই সৰহকৈ আছে বুলি বৰকৈ পেৰিবলৈ হে ধৰিব, একোকে নেৰে।

ৰংদৈ।—বাৰু, থৈ দে তইঁতৰ বুধিখন। যমৰ দূত যেন টেকেলাই পোৱাখিনিত যিখন এৰিব আমি এতিয়াই জানিছোঁ। সিবেইচা ৰামহৰিৰ ঘৰ কুৰুক্ কৰোঁতেই দেখি—ছোঁ——অ, থাক্, থাক্ মেনে মেনে থাক্, সৌৱা ওলালহি!—

(এটা মানুহৰে সৈতে টেকেলাৰ প্ৰৱেশ)

ৰংদৈ।—(চৰাখন আগ বঢ়াই দি) আহক, ইয়াতে বহক। মই তামোল-ছালি আনোগৈ।

টেকেলা।—আমাৰ বহিবৰ আৰু তামোল খাবৰ সময় নাই। চৰ্কাৰী কাম কৰি লওঁ; তাৰ পাচত হে তামোল-ছালি।

(ভোগমন মূৰে-কপালে হাত দি বহি আছে)

ৰংদৈ।—এ, আই, চৰ্কাৰী কাম হল বুলি নো দুখীয়াৰ ঘৰত ছালি এডোখৰো খাই যাব নেপায় নে? বহক, তামোল এখন খায়ো যকচোন। চৰ্কাৰী কাম বুলিলে আমাৰ জনৰো এই নিচিনা লৰা-ঢপৰা।

টেকেলা।—যাম কলৈ? চৰ্কাৰী কাম তইঁতৰ ঘৰতে। এতিয়া ফাঁকি-ফুকাৰ দৰকাৰ নাই, বস্ত উলিয়াই দে; নহলে মই ভিতৰ সোমাবলৈ পালে একো নেথাকে! (ভোগমনলৈ চাই) হেৰ, বৰ গাওঁবুঢ়াটো, এতিয়া তললৈ মূৰ কৰি গুণি থাকিলেই আমাৰ চিকাৰুপ কেটকা ওলাব নে?

ভোগ।—(মুৰ দাঙ্গি বেজাৰেৰে) যি কৰিব লাগে কৰাঁ; টেকেলা ককাই, মই নিৰুপায়, কি কৰিম? মোক নো কি সুধিব লাগিছে আৰু!

টেকেলা।—এতিয়া ভালৰি বোলালে কাম নচলে। খাজনাৰ জোখাৰে ধন উঠাকৈ বস্তু উলিয়াই দে।

ভোগ।—ককাই, ঘৰ গোটেইখন বেচিলেও খেজনাৰ জোখাৰে টকা নোলাব। মই নো কি বস্তু দিম, তুমি নিজেই যি পোৱা বিচাৰি নিয়াঁ।

টেকেলা।—নোলাব যদি নো কিবা উপায়-বুধি নকৰ কিয়? নাই, একেবাৰে উদং হব খুজিছ হবলা?

ৰংদৈ।—(টেকেলাৰ মনৰ ভাব বুজিব পাৰি, সাউৎকৰে বটাত তামোল-পাণ আৰু সিকি এটা থৈ আঁঠুকাঢ়ি আগত দি) শক্তি চাই হে ভক্তি! দুখীয়াৰ খুদ-কণতো দেৱতা তুষ্ট হয়।

টেকেলা।—(বটালৈ চাই) ৰোগ চাই ঔষধ নপৰিলে, কেনেকৈ তাৰ বিকাৰ গুচিব? আৰু——(টেপেৰা গাওঁবুঢ়াৰ হঠাৎ প্ৰৱেশ; টেকেলাই মনত শঙ্কা কৰি, খং দেখুৱাই) কি, তহঁতৰ এইখন! চাপৰিলে মেঘ নেৰায়; মোক হাতী এটাৰ লোভ দেখুৱালেও মই চৰ্কাৰী কাম নকৰাকৈ নেৰোঁ।

টেপেৰা।—এ, টেকেলা বোপা, ইয়াতে আছাঁহি! মই আকৌ বিচাৰি বিচাৰি হাইৰাণ; তুমি ইফালে আহি এইখিনি পালাহি, মই সিফালে তোমাৰ ঘৰ পালোঁগৈ! পিচে, এতিয়া নো কি হৈছে?

টেকেলা।—কি হব, সৌ বটালৈ চোৱাঁচোন; মোক তুষ্ট কৰি গা সৰাবলৈ কেনে ফিকিৰখন পাতিছে! মই আকৌ কেনে ভকত তুমি জানাই নহয়!

টেপেৰা।—এৰা, বোপা, আজিকালি মৌজাদাৰে আমাক কথাইপতি চোভা কৰা হৈছে। এইখন শুনিলে আৰু আমাৰ ফালে যে আধ্যা পেলাবই, তোমাকো লটি-ঘটি কৰাব। (চাত্‌কৰে মনত পেলাই) অ, এতিয়া আৰু পলম কৰিবৰ সকাম নাই; আজি বোলে নৰাগাওঁৰে সৈতে গোটেইখন কুৰুক্ হব লাগে। মৌজাদাৰ হাকিমে বাটলৈকে দঢ়াই দঢ়াই কৈ পঠিয়াইছে।

টেকেলা।—এঃ, আমি কিবা মৌজাদাৰৰ গোলাম নে? যিমান পাৰোঁ, কৰি থাকিম। বাৰু, আহাঁচোন, আমি ভিতৰ সোমাওঁ।

টেপেৰা।—বাৰু, বলাঁ। তুমি আগ হোৱাঁ। অ, ভোগমন, তয়ো আহ।

(তিনিওৰো ভিতৰলৈ প্ৰৱেশ)

ৰংদৈ।—(চকুত আঁচল দি কান্দে) হে পৰ্ভু! এই দুখুনীৰ কপালত নো ইয়াকে লেখিছিলা নে? তিৰোতাৰ জনম দি মতাৰ বন কৰাবলৈ বাকী নেৰাখিলা; পুৱাতে পাটীৰপৰা উঠিয়েই মাইকী আৰু মতা দুইৰো বন অকলে কৰোঁতে মোৰ শাঁতি-শুঁতি নেথাকে; পথাৰত মতাৰ কাম কৰি আহি, দুপৰীয়া ভোকত বাঁহতলৰ জেং-খৰি লুৰি আনি ভাত বান্ধোহি; গৰু-গাই ধান-চাউল চপোৱাৰ উপৰিও, দিনটো কেইফালৰপৰা কিমান চিন্তাই খাই মাৰেহি তাৰ লেখ নাই; আৰু যে কিমান দুখ, পৰ্ভু, তুমি দেখিয়েই আছা! হাঁয়, ইমান দুৰ্গতি দেখিও তুমি এই বেটীক কিৰ্পা নকৰিলাঁ! কি কৰিম, মই জানিছোঁ, মোৰ এই জীৱ দেহাৰপৰা বাজ নহয়মানে আৰু মোৰ দুখৰ অন্ত নপৰে! মই নো কেলেই নমৰোঁওঁ!! (বুকুত চাপৰ মাৰি মাটিত পৰি মূৰ্চ্ছা যায়)।

জেতুকী।—(মাকৰ গাত ধৰি কান্দি কান্দি) আই! তোৰ কি হৈছে? তই, কিয় কান্দিছ? তই কেলেই পৰিলি? (চিয়ঁৰ মাৰি) ঔ, বুপাই, আইৰ কিবা এটা হল ঔ! বেগাই আহ ঔ!!

(লোটা-কলহ, কাঁহী-বাটি, কাপোৰ-কানি আদি লৈ টেকেলা, টেপেৰা আৰু ভোগমন ভিতৰৰপৰা ওলাই আহে)

ভোগ।—কি হল, কি হল! (বিতত হৈ ৰংদৈক তোলে) উঠ, উঠ, কিয়নো এনে অথিৰ হৈ বেজাৰৰ ওপৰত বেজাৰ দিছ? ঈশ্বৰৰ ইছা, যি কৰে কৰি থাওক। (ৰংদৈ উঠি চকুত আঁচল দি কান্দিবলৈ ধৰে।)

টেপেৰা।—এইখন আৰু চাই থাকিব নোৱাৰি! টেকেলা বোপা, কি কি বস্তু লোৱা হৈছে, বেগেতে ফৰ্দ্দ এটা কৰি লোৱাঁ।

টেকেলা।—(হাঁহি হাঁহি), বাৰু, বহাঁচোন। ইমানতে ইমান হলে আৰু টেকেলা-গাওঁবুঢ়াৰ কাম ভালকৈয়ে কৰিবা! তুমি এটা-এটাকৈ বস্তু ধৰি যোৱাঁ, মই লেখি যাওঁ। (লিখিবলৈ ধৰে)।

জেতুকী।—(লৰি গৈ বাটি এটা লৈ) অ, এইটোচোন মোৰ ওমলা-বাটিটো! অ, মই নিদিওঁ নিবলৈ।

টেকেলা।—(বাটিটো আঁজোৰমাৰি কাঢ়ি লৈ) থ, তোৰ বাটি এতিয়া। গুচ্ ইয়াৰপৰা।

জেতুকী।—(ফেঁকুৰি ফেঁকুৰি বাপেকক ধৰেগৈ) বুপাই, মোৰ বাটিটো নিয়ে এতিয়া! আজি মই কিহেৰে উমলিম? হুঁ, মোৰ বাটিটো দে। (বৰকৈ চিয়ঁৰি চিয়ঁৰি কান্দে)।

ভোগ।—(চকু-লোটুকি) নেলাগে সেইটো। মোৰ আইক মই আন এটা আনি দিম। (কোলাত তুলি লৈ জেতুকীক নিচুকায়)

টেকেলা।—ওঁ, আমাৰ কাম হল; এতিয়া উঠিবহে লাগে। (লগত অনা মানুহটোক) হেৰ, এইখিনি ভাৰ বান্ধি ল।

টেপেৰা।—এৰা, উঠাঁ, বলাঁ যাওঁ। সিফালেও কেবাঘৰো আছে।

(বস্তু লৈ তিনিওৰো প্ৰস্থান)

ভোগ।—(বস্তু নিয়ালৈ চাই থাকি) হাঁয়, এতিয়াও মই জীয়াই আছোঁ! (পৰি মূৰ্চ্ছা যায়)।

ৰংদৈ।—(ভোগক দাঙ্গি ধৰি) উঠ্, উঠ্হঁক, মাইকী মানুহৰ দৰে বিয়াকুল হৈছ কেলেই? (বলেৰে ধৈৰ্য্য ধৰি বহি) কপালত যি আছে তাক কোনে গুচাব? তথাপি, দুখৰ পাচত সুখ আছে বুলি সকলোৱে কয়।

ভোগ।—(উঠি বহি চকু মোহাৰি) কিনো কম ঐ! মই তহঁতৰো বধৰ ভাগী হলোঁ! কুলী হোৱাৰ ভয়ত, আৰু মান ৰইখা কৰিবলৈ গৈ, চৰ্কাৰী গাওঁবুঢ়া বিষই খাওঁতে এতিয়া মোৰ এনে বিলাই! দেহিঐ, মোৰ আইৰ হাতৰপৰা সি অধৰমীয়ে বাটিটো আঁজোৰ মাৰি নিয়ালৈ মনত পৰিলে,

এতিয়াও মোৰ বুকু ফাটি যায় যেন লাগে! হে পৰ্ভু, তোমাৰ কি অতভুত্ মহিমা! এনেথন সুখ ভুগিলৈকে মানুহে গাওঁবুঢ়া-বিষই খাবলৈ খাটি-লুটি ফুৰে! হাঁয়! হাঁয়!

ৰংদৈ।—মৰাটো মৰেই; জীয়াটোও সেই বুলি তাৰ লগতে মৰিব পাৰে নে? এতিয়া আৰু শোক-বেজাৰ কৰি থাকিলে কি হব? গাওঁবুঢ়া বিষেয়ে আমাৰ গতি যি কৰিলে কৰক। এতিয়া আৰু তাত সকাম নাই; কাইলৈ গৈ হাকিমৰ আগতে সেইখন বিষই শোধাই থৈ আহি গাটো আজৰি হৈ লবিহঁক। দেহা ভালে থাকিলে, কোন্ নো নেখাই মৰিছে? এতিয়া হাতে-কাণে যি আছে, তাকে বেচি তৰোঁহঁক। পাচে পৰ্ভূৰে যি কৰে!

ভোগ।—(দীঘলকৈ হুমুনিয়া পেলাই) ভাল কৈছ; তোৰ কথাতে ভৰ দিলোঁ। কাইলৈ মৌজাদাৰ হাকিমৰ ওচৰত আমাৰ বিষেথনৰ মেটুমৰা ভাৰথন শোধাই দিহে আহিবগৈ লাগে।

ৰংদৈ।—আহচোনহঁক, ভিতৰ সোমাওঁ, কিবা এৰি গৈছে নে চাওঁগৈ।

(তিনিওৰো প্ৰস্থান)

দ্বিতীয় পট,—আদালত।

(মিঃ ইয়ং, পেস্কাৰ, টেকেলা)

মিঃ ইয়ং।—ফেস্কাৰ!

পেস্কাৰ।—হজুৰ!

ইয়ং।—ফৌজদাৰী মকদ্দমা পেচ্ কৰিবে লাগে।

পেস্কাৰ।—বহুত আচ্ছা হজুৰ! হেৰ, টেকেলা, ভেলেউ মৰিয়ানীক ফুঁকাৰচোন।

টেকেলা।—ভাল, দৌতা। (চিয়ঁৰি) ভেলেউ মৰিয়ানী হাজিৰ। ভেলেউ মৰিয়ানী হাজিৰ।

(ভেলেউৰ প্ৰৱেশ ; হাতযোৰকৈ থিয় দিয়ে)

ইয়ং।—টুমি, গোচৰ কৰিছে?

ভেলেউ।—হৈছে হজিৰ!

পেস্কাৰ।—বাৰু, হলফ্ ল। ক, বুলি, যি কম সঁচা কম। মিছা কলে ধৰ্ম্মে ঘটাব।

ভেলেউ।—এ খোদাই! মিছা কবলৈ নো কি হৈছে? খঁচা কমতোন্।

ইয়ং।—টোমাৰ কোন্ কটা টাকিছে?

ভেলেউ।—নাই হজিৰ! বেটীক কোনেও কটা নাই।

পেস্কাৰ।—নহয়, তোৰ কি কথা কবলৈ আছে, তাকে হে সুধিছে।

ভেলেউ।—অ, থেইটো কথা! হজিৰ, বেটী বাঁৰী মানুহ। খেতি-পথাৰৰ খঁচেই নাই। কুকুৰা পোৱালি পুহি যেন্তেন্কৈ পোহ যাওঁ। তাৰে ঘাই কুকুৰাজনীকে খিদিনাসন ভোগমন গাওঁবুঢ়াই কাঢ়ি আনিলেগৈ! বেটী নিগমে মৰিলোঁ! এনে অইনাই হলে কেনেকৈ থাকিম, হজিৰ!

ইয়ং।—হেইটো টোমাৰ কুকুৰ ডৰিছে? ডৰিছে তো কি কৰিছে?

ভেলেউ।—মাৰি খালে চাগৈ, হজিৰ!

ইয়ং।—হেইটো কুকুৰ কায়? হি কি জাত আছে?

পেস্কাৰ।—নহয় হজুৰ, কুকুৰ নহয়, মুৰ্গী হে।

ইয়ং।—হাঁ, হাঁ, হামি এটিয়া জানিলে। আচ্ছা, গাওঁবুঢ়াকো বলাও।

পেস্কাৰ।—হেৰ, টেকেলা, ভোগমন গাওঁবুঢ়াক ফুঁকাৰ; মুক্তিয়াৰকো খবৰ দিবিগৈ।

টেকেলা।—ভাল, দৌতা! (চিয়ঁৰি) ভোগমন গাওঁবুঢ়া হাজিৰ। ভোগমন গাওঁবুঢ়া হাজিৰ।

(কঁপি কঁপি ভোগমনৰ প্ৰৱেশ)

ইয়ং।—টুমি গাওঁবুঢ়া টাকিছে।

ভোগ।—(কঁপি কঁপি) হয়, ধৰ্ম্মাৱতাৰ!

ইয়ং।—হেইটো মাইকী গড়তে টুমি মুৰ্গী ডৰিছে?

ভোগ।—হয়, হজুৰ, ধৰ্ম্মাৱতাৰ!

ইয়ং।—টুমি টাকে ডাম ডিছে?

ভোগ।—নাই দিয়া, হজুৰ।

ইয়ং।—এটিয়া ডাম ডিবে?

ভোগ।—নাই হজুৰ, কৰপৰা দিম, দুখীয়া মানুহ।

(মুক্তিয়াৰৰ প্ৰৱেশ)

ইয়ং।—(পেস্কাৰৰ প্ৰতি) ওৱেল, এই আদুমি কচুৰ কবুল কৰিছে। টাকে আমি ফাটক ডিবে।

পেস্কাৰ।—হয়, হজুৰ! কিন্তু সি আচল কথা চমুজি কব জনা নাই। তাৰ মুক্তিয়াৰক সুধিলে ভাল আছিল।

ইয়ং।—আচ্ছা, মুক্তিয়াৰকে বলাবে লাগে।

মুক্তিয়াৰ।—হজুৰ! বেণ্ডা হাজিৰ আছোঁ।

ইয়ং।—টোমাৰ কুচ্ জবাব টাকিছে?

মুক্তিয়াৰ।—হয়; হজুৰে ঠিককৈ দৰিয়াপ কৰিব লাগে।

ইয়ং।—(অসন্তুষ্ট হৈ) হামি টিক দৰিয়াপ নাই কৰিছে?

মুক্তিয়াৰ।—হজুৰ, মোৰ মোক্কেল গৰিপ; কিন্তু ভাল মানুহ। ইয়াৰ সম্বন্ধে ভালকৈ দৰিয়াপ কৰিব লাগে।

ইয়ং।—(খঙেৰে) ডৰিয়াপ! ডৰিয়াপ! ক্যা ডৰিয়াপ আছে?

পেস্কাৰ।—আপুনি একে-আষাৰে নো আচল কথা কৈ নেপেলায় কিয়?

মুক্তিয়াৰ।—অ, হয়। হুজুৰ, এই গৰিপে তাৰ নিজৰ ক্ষমতাৰে মুৰ্গী কাঢ়ি অনাগৈ নাই।

ইয়ং।—টাকে কোন্ খেম্টা দিছে?

মুক্তিয়াৰ।—হজুৰে।

ইয়ং।—অঃ, টুমি একদম্ জুঠা কৈছে; হামি টাকে হেই খেম্টা নাই ডিছে। জোৰ-জবৰদস্তি জুলুম কৰিবলে হুকুম হামি নাই দিছে।

মুক্তিয়াৰ।—হজুৰে দৰিয়াপ কৰি চাওক, দিছে।

পেস্কাৰ।—হয়, হজুৰে দৰিয়াপ কৰি চাওক, দিছে।

ইয়ং।—হামি জুঠা নাই কৈছে; হামি হুকুম নাই ডিছে।

মুক্তিয়াৰ।—বাৰু, মই ভাঙ্গি কওঁ। হজুৰ, সেই মুৰ্গী বৰচাহাবৰ বচদলৈ হে আনিছিল; গাওঁবুঢ়াৰ নিজলৈ নহয়।

ইয়ং।—বচদ আনিছে তো ডাম নাই ফাইছে?

মুক্তিয়াৰ।—দাম পালে আৰু এনে হবলৈ পায় নে? হজুৰ নতুন কাৰণে বুজা নাই এথোন, পাচে সকলো বুজিব।

ইয়ং।—ডাম নাই ফাইছে! আচ্ছা, হামি নাজিৰকে হুডিবে,—নাজিৰ বাবু!

নাজিৰ।—(নেপথ্যৰপৰা 'হজুৰ!' বুলি বেগেৰে প্ৰৱেশ)

ইয়ং।—এই আডুমি বচদ ডাম নাই ফাইছে?

নাজিৰ।—নাই, হজুৰ, দাম দিয়াৰ দস্তুৰ নাই।

ইয়ং।—ডস্তৰ নাই! মাগনা কাবে! বহুত বয়া ডস্তৰ আছে। আচ্ছা, হামি এই কঠা ডেকিবে পিচাৰি। আভি আচামী খালাচ।

(মুক্তিয়াৰ, ভোগমন, নাজিৰ প্ৰভৃতিয়ে চেলাম দি প্ৰস্থান কৰে)

ভেলেউ।—হজিৰ! পিচে, দুখুনী বেটী হে নিগমে মৰিলোঁ!

ইয়ং।—নাই, নাই মৰিবে। এইঠো বাট হামি ওপৰতে লেকিবে। কি জানি টোমাৰ খাটিবে চবকো ভালা হব ফাৰে।

ভেলেউ।—সেইটো খোদায়ে হে জানিছে! (চেলাম দি প্ৰস্থান)

ইয়ং।—(পেস্কাৰৰ প্ৰতি) ওৱেল, এইঠো ভালা ডস্তৰ নাই আছে। কুলী জবৰদস্তি ডৰিবে! ৰচদ কাবে, ডাম নাই ডিবে! গাওঁবুঢ়া কাম কৰিবে, টলব নাই পাবে, কুচ্ নাই মিলিবে! কেইচা ডস্তৰ! এ চব বাট হামি ওপৰতে লেকিবে। (প্ৰস্থান)

(চাহাব উঠি যোৱাৰ পাচত, কাকত-পত্ৰ জুকিয়াই লৈ পেস্কাৰৰো প্ৰস্থান)।

তৃতীয় পট,—গাঁৱলীয়া ৰাজবাট।

(কচুখোৱা, কেৰপাই আৰু টেপেৰা)

কেৰ।—মোলৈ হলে অসহনী হলহি ককাইটি! নোৱাৰি আৰু! কাইলৈ মোৰ বিষেখন শোধাই দিওঁগৈ হে বুলিছোঁ।

কচু।—দেগৈ শোধাই। পাৰিলে আমিও দিওঁগৈ।

টেপেৰা।—কিয়, নোৱাৰিম নো কিয়? কিনো নিকিনা-গোলাম সোমালোঁ? এৰিলেও নেৰিবৰ আয়ণ আছে নে কি?

কচু।—এৰা, তেনেকুৱাইতো। আন এটা নলয়মানে নেৰে হেনো।

(ভোগমনৰ প্ৰৱেশ)

ভোগ।—(হাঁহি হাঁহি) হেৰ, মৰিব-নজনাইঁত, আছ? কি কৰিছইঁক?

কেৰ।—ওঁ, আছোঁ তো। তই মৰিব জনাটোওচোন আছ? কলৈ নো গৈছিলি? আজিচোন মন মুকলি?

ভোগ।—এৰা, গৈছিলোঁ এই ফালে; হাকিমৰ ঘৰৰপৰা আহিলোঁগৈ।

টেপেৰা।—সকাম বা কি আছিল?

ভোগ।—সকাম আমাৰ বিষৈখনৰ ভাৰখন শোধাই দিয়া।

কচু।—কি, কি, হেৰ, কেনেকৈ শোধালি কচোন?

ভোগ।—কাম নকৰোঁ বুলিলোঁ, আৰু হৈ গল।

কচু।—কাম নকৰোঁ বোলাতে এৰি দিলে নে?

ভোগ।—হেঃ, ক'ত এৰে খেমেথা; কত টাংবাং কৰি হে এৰাইছোঁ!

কেৰ।—কিনো টাংবাং কৰিলি? কচোন আমাকো বুধিটো।

ভোগ।—সলনি নিদিলে নেৰে একোপধ্যে। পিচে, কছাৰী-লৰা ভদিয়াক ফুচুলাই নি সলনি দি পাকতে এৰাই গুচি আহিছোঁ।

কচু।—এৰা, মই নকৈছোঁ, বোলোঁ, আন এটা নেপীয়মানে নেৰে।

কেৰ।—ভাল হল, শিকি ললোঁ! ময়ো সলনি বিচাৰিব হে লাগিল বোপাই! কোনোমতে এৰাব পাৰিলেই হয়।

টেপেৰা।—ময়ো, ময়ো। হেৰ, পাৰ যদি, মোলৈকো বিচাৰিবি এটা!

কচু।—কিন্তু, চাবিইঁক, এৰিলেও সুখ নাই। খেমেথা নেৰিবিইঁক। কুলী-ধৰা ৰচদ-দিয়া এইবোৰ নিয়ম উঠিব, আৰু গাওঁবুঢ়াই বানচ পাব বুলি শুনিছোঁ! আমাৰ চেহাবে হেনো এই কথা চৰকাৰলৈ লিখিছে।

কেৰ।—এঃ, মেনেমেনে থাক। বোলে, "মোমাই মৰক, ভূতক পাচে পাওক"। চৰকাৰৰ হুকুম অহালৈ আমি জীয়াই নেথাকোঁ!

টেপেৰা।—বাৰু, যি হয় ঘৰত কৰিবিগৈহঁক। এতিয়া দুখত এফেৰি আনদ্ কৰি চাওঁ আহহঁক। সিদিনা জিলাৰ 'ঠেইটাৰ'-ভাওনাত শুনি অহা গাহানটোকে ধৰোঁহঁক।

কেৰ।—বেচ কথা। মোৰ হলে গাহানটো মুখত আহি আছে। চেৰে-চেৰে পাক এটাও দিওঁ, ধৰিবিহঁকচোন :—(কেৰপায়ে লগাই দিয়ে, চাৰিওটাই গীত গাই গাই ঘুৰি ঘুৰি নাচে)

গীত।

খট,——কাশ্মিৰী খেম্‌টা।

আমি চাৰি গাওঁবুঢ়া,
চাৰিগোট টেঁকী-থোৰা ;
ৰাতি দিনে কাম বানি হওঁ এধামৰা ! (আমি গাওঁবুঢ়া)
বাহিৰত বৰ-কথা,
ভিতৰত কন্দা-কটা ;
ঘৰে-পৰে থকা-খুন্দা গৰিহণা খাই ফুৰা ! (আমি গাওঁবুঢ়া)
ঘৰৰ খোৰাক খাই,
পৰৰ কাম চলাই,
ঘুৰি ফুৰোঁ দিনে-ৰাতি অনাহাৰী বিষেখোৱা ! (আমি গাওঁবুঢ়া)

যৱনিকাপাত।